● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

*নিৰাপত্তা দৰাচলতে এক অন্ধবিশ্বাস। বিপদৰ সন্মুখীন নহৈ বিপদ এৰি চলাটো নিৰাপদ নহয়। জীৱন এক দুঃসাহসিক অভিযানৰ বাহিৰে আন একো নহয়।*

হেলেন কেলাৰ
*আমেৰিকান সাহিত্যিক*



www.dainikagradoot.in
৭ তাজমহল আমাৰ পাৰিবাৰিক সম্পত্তি
১৫ উবেৰ কাপৰ কোৱাৰ্টাৰত ভাৰতৰ প্ৰতিদ্বন্দ্বী থাইলেণ্ড
৪ আকৌ 'কা' বিৰোধী আন্দোলনৰ হুংকাৰ

RNI-Regd No. ASSASS/2004/13832 ■ সপ্তদশ বছৰ ● ১৯৯তম সংখ্যা ● যোৰহাট ● বৃহস্পতিবাৰ ২৮ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১২ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Jorhat ● Thursday 12 May 2022 মূল্য ঃ ৯.০০ টকা

■ ঐতিহ্যাসিক নিৰ্দেশ ঃ কেন্দ্ৰীয় চৰকাৰে পুনৰ বিবেচনা নকৰা পৰ্যন্ত স্থগিত হ'ল কঠোৰ আইনৰ প্ৰয়োগ ■ এই আইনৰ অধীনত আৰু কোনো গ্ৰেপ্তাৰ কৰিব নোৱাৰিব ■ গোচৰো স্থগিত

# ৰাষ্ট্ৰদ্ৰোহ আইনত স্থগিতাদেশ ন্যায়ালয়ৰ



ছিপাঝাৰৰ ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়ত গুণোৎসৱত মুখ্যমন্ত্ৰী, বুধবাৰে।

## আইনৰ অধীনত কাৰাবন্দী হোৱা সকলে জামিনৰ বাবে আদালতলৈ যাব পাৰিব

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১১ মে' ঃ এক ঐতিহাসিক নিৰ্দেশযোগে সম্প্ৰতি স্থগিত হ'ল বহু বিতৰ্কিত ৰাষ্ট্ৰদ্ৰোহ আইনৰ প্ৰয়োগ। কেন্দ্ৰীয় চৰকাৰে ব্ৰিটিছৰ কাৰ্যকালৰে এই কঠোৰ আইন পুনৰ বিবেচনা নকৰা পৰ্যন্ত আইনৰ প্ৰয়োগ স্থগিত ৰাখিব বুলি আজি এক ঐতিহাসিক ৰায় দিয়ে দেশৰ উচ্চতম ন্যায়ালয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ ফলত এক বৃহৎ উজুটি খালে কেন্দ্ৰীয় চৰকাৰে। শীৰ্ষ আদালতে স্পষ্ট কৰি দিছে যে আইনখনৰ অধীনত আৰু কোনো ধৰণৰ গ্ৰেপ্তাৰ কৰা নহ'ব।



ইতিমধ্যে এই আইনৰ প্ৰয়োগ কৰি যিসমূহ গোচৰ চলি আছে সেয়াও স্থগিত হ'ব। তদুপৰি এই বিতৰ্কিত আইন প্ৰয়োগৰ ফলত কাৰাবন্দীসকলে হোৱাসকলে এতিয়া জামিন আবেদনৰ বাবে উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰিব। আজি মুখ্য ন্যায়াধীশ এন ভি ৰামানাৰ নেতৃত্বৰ তিনিজনীয়া বিচাৰপীঠে দিয়া নিৰ্দেশে বহুতলৈ সকাহ কঢ়িয়াই আনিছে। এতিয়াৰে পৰা ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত কোনো ধৰণৰ এজাহাৰ ৰুজু কৰা নহ'ব বুলি শীৰ্ষ ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। *১০ পৃষ্ঠাত চাওক*

■ নৰ্থ-ইষ্ট ডায়েৰী কো-অপাৰেটিভ কনক্লেভৰ প্ৰথম সংস্কৰণ সম্পন্ন ■ মুখ্যমন্ত্ৰীৰ উপস্থিতিত ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ ■ গৰু খাদ্য নিৰ্মাণ কাৰখানা উদ্বোধন ঃ নিৰ্মাণ কৰিব দুগ্ধ সংসাধন কেন্দ্ৰ

## অসমৰ বজাৰত আজিও গুজৰাট-কৰ্ণাটকৰ গাখীৰ

ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১১ মে' ঃ পূৰৱী ডায়েৰী খ্যাত পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেডে (ৱামূল')য়ে কো-অপাৰেটিভ ডায়েৰী ফেডাৰেছন অৱ ইণ্ডিয়া লিমিটেডৰ সহযোগত আজি মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত সমগ্ৰ উত্তৰ-পূবৰ দুগ্ধ সমবায়সমূহক একত্ৰিত কৰাৰ উদ্দেশ্যে নৰ্থ-ইষ্ট ডায়েৰী কো-অপাৰেটিভ কনক্লেভৰ প্ৰথম সংস্কৰণৰ আয়োজন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকা আজিৰ কনক্লেভত অসম চৰকাৰ, নেছনেল ডায়েৰী ডেভলপমেণ্ট ব'ৰ্ড আৰু পূব অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেড, যোৰহাটৰ মাজত এক ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়। *১০ পৃষ্ঠাত চাওক*



## আন্দোলন শব্দটোৰ বিৰোধিতাৰে আৰম্ভ হ'ব ৰাজ্যৰ শিক্ষা

### অসমীয়া-ইংৰাজীৰ সংমিশ্ৰণৰ হাইব্ৰীড পদ্ধতিৰ ব্যৱহাৰ হ'ব ঃ গুণোৎসৱত মুখ্যমন্ত্ৰী শৰ্মা

অগ্ৰদূত বাৰ্তা
ছিপাঝাৰ, ১১ মে' ঃ 'আন্দোলন শব্দটোৰ বিৰোধিতাৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থা আৰম্ভ হ'ব লাগিব। ক'ভিড মহামাৰীৰ ফলস্বৰূপে যথেষ্ট পৰিমাণে ক্ষতিৰ সন্মুখীন হোৱা ৰাজ্যৰ শিক্ষা ক্ষেত্ৰখনলৈ পূৰ্বৰ অৱস্থা ঘূৰাই আনিবলৈ অসম চৰকাৰে নিৰৱচ্ছিন্নভাৱে পদক্ষেপ লৈ আহিছে। ৰাজ্য চৰকাৰে শিক্ষা খণ্ডত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সুফল ভাৰত চৰকাৰৰ শিক্ষাখণ্ডৰ মূল্যায়নত স্পষ্টকৈ ফুটি উঠিছে।' এই ভাষ্য *১০ পৃষ্ঠাত চাওক*

## দ্বিতীয় দিনাও শ্ৰীলংকাত অগ্নিগৰ্ভ পৰিস্থিতি

### কলম্বোত জাকে জাকে সেনাৰ টহল



নিউজ ব্যুৰ'
কলম্বো, ১১ মে' ঃ হিংসাৰ দাবানলত জ্বলিছে অৰ্থনৈতিক বিপৰ্যয়ত বিধ্বস্ত চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকা। আজি দ্বিতীয় দিনাও দ্বীপ ৰাষ্ট্ৰখনত অব্যাহত আছে চৰকাৰ বিৰোধী বিক্ষোভ। সান্ধ্য আইনক অগ্ৰাহ্য কৰি ৰাজপথলৈ ওলাই আহি আজিও হেজাৰ হেজাৰ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰধানমন্ত্ৰী মহেন্দ্ৰ ৰাজাপক্ষৰ পদত্যাগৰ পাছত আজি ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষৰ পদত্যাগৰ দাবীত ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে ক্ষুব্ধ লোকসকলে। *ছয় পৃষ্ঠাত চাওক*

**২৬ মে'ৰ পৰা কাৰ্যকৰি হ'ব নতুন নিয়ম ঃ বেংকলৈ নিৰ্দেশ প্ৰেৰণ**

## ইচ্ছানুসৰি ধন জমা-আদায়ত নতুন নিয়ন্ত্ৰণৰে আয়কৰ আইনত পৰিৱৰ্তন

নিউজ ব্যুৰ'
কলকাতা, ১১ মে' ঃ কোনো এজন লোকে নিজৰ সকলো একাউণ্টৰ ধন একত্ৰিত কৰি ২০ লাখ টকা যদি বেংকত জমা থ'ব বিচাৰে তেন্তে তেওঁৰ পেনকাৰ্ড থকাটো বাধ্যতামূলক। একেদৰে ধন বেংকৰ পৰা সংগ্ৰহৰ ক্ষেত্ৰতো পেনকাৰ্ডৰ উল্লেখ থাকিব লাগিব। চলিত মাহৰ পৰা এই নতুন নিয়ম কাৰ্যকৰী হ'ব বুলি সকলো



বেংকক নিৰ্দেশ প্ৰদান কৰিছে চেন্ট্ৰেল ব'ৰ্ড অৱ ডিৰেক্ট টেক্সেছ-এ। নগদ লেনদেনত লেকাম লগাবলৈ বহু পূৰ্বৰে পৰা কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয় তৎপৰ হৈছে। এইবাৰ নগদ ধন জমা দিয়া আৰু অনাৰ ক্ষেত্ৰতো অধিক কঠোৰ নিয়ম প্ৰৱৰ্তন কৰিবলৈ আয়কৰ আইনত সালসলনি কৰা হৈছে। বিভিন্ন বেংকলৈ অহা নিৰ্দেশ অনুসৰি অহা *১০ পৃষ্ঠাত চাওক*

■ পাঁচ বিশিষ্ট সাংবাদিকলৈ আজুৰ সাংবাদিকতা বঁটা ■ প্ৰাঞ্জলসেন ডেকাই মাননিৰ ধন আগবঢ়ালে আজুৰ সাংবাদিক কল্যাণ ন্যাসলৈ

## ভাল সংবাদ সেৱা সমাজ জীৱনৰ বাবে চানেকি ঃ অধ্যক্ষ দৈমাৰী

অগ্ৰদূত বাৰ্তা
বিশ্বনাথ চাৰিআলি, ১১ মে' ঃ 'সাংবাদিকসকল সমাজৰ দিক নিৰ্দেশক। গোটেই জীৱন গণসেৱা কৰি অহাৰ বাবে সাংবাদিকসকলে সমাজৰ পৰা এটা স্বীকৃতি লাভ কৰে। ভাল সংবাদ সেৱাই সমাজ জীৱনৰ কাৰণে *১০ পৃষ্ঠাত চাওক*



## ভূটান সীমান্তৰ দাদাগিৰিত ডাম্পাৰৰ খুন্দাত পথচাৰী নিহত

### উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা
কাজলগাঁও, ১১ মে' ঃ চিৰাং জিলাৰ ভূটান সীমান্তৰ দাদাগিৰিত আজি তীব্ৰবেগী এখন ডাম্পাৰে পথচাৰীক মহতিয়াই নিয়াৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত *১০ পৃষ্ঠাত চাওক*

■ স্বাস্থ্যখণ্ডৰ পাছত এইবাৰ ৰাজ্যৰ যুৱক-যুৱতীৰ কাৰিকৰী-ঔদ্যোগিক শিক্ষাত গুৰুত্ব দিব ■ ৰাজ্য চৰকাৰৰে দিছপুৰত সম্পন্ন হয় চুক্তি

## ৰাজ্যত মানৱ সম্পদ গঢ়িবলৈ টাটাই বিনিয়োগ কৰিব ২৩৯০ কোটি

ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১১ মে' ঃ ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিনিয়োগৰ জৰিয়তে ৰাজ্যবাসীৰ মৰম-আশীৰ্বাদ বুটলিবলৈ সক্ষম হোৱা টাটা গ্ৰুপে পুনৰ ৰাজ্যৰ যুৱক-যুৱতীসকললৈ আশাৰ ৰেঙণি কঢ়িয়াই আনি কাৰিকৰী-ঔদ্যোগিক শিক্ষাক আগবঢ়াই নিয়াৰ লক্ষ্যৰে কৰিব বৃহৎ বিনিয়োগ। এই সন্দৰ্ভত আজি জনতা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত টাটা টেকন'লজী আৰু ৰাজ্য চৰকাৰৰ মাজত সম্পন্ন হয় এক বুজাবুজি চুক্তি। এই চুক্তিৰ জৰিয়তে ৰাজ্যৰ কাৰিকৰী শিক্ষাৰ উন্নয়ন, দক্ষতা বৃদ্ধি তথা উদ্যোগ ক্ষেত্ৰৰ শেহতীয়া জ্ঞানৰে সমৃদ্ধ মানৱ সম্পদ গঢ়ি তুলিবলৈ টাটা টেকন'লজীয়ে ২,৩৯০ কোটি আৰু ৰাজ্য চৰকাৰে প্ৰায় আঠশ কোটি টকা বিনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰিছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই *১০ পৃষ্ঠাত চাওক*

■ অৰুণাচলৰ জয়ৰামপুৰত ধৃত আলফা (স্বাঃ)ৰ সদস্য অপু অসমৰ বিস্ফোৰক স্বীকাৰোক্তি ■ নিষিদ্ধ সংগঠনত যোগ দিয়া বিজু গগৈ ওৰফে ভাগ্য অসমক শিবিৰত গুলীয়াই হত্যা

## বিগত দিনকেইটাত ১৩-১৪জনক হত্যা আলফাৰ





অগ্ৰদূত বাৰ্তা
তিনিচুকীয়া, ১১ মে' ঃ নিষিদ্ধ ঘোষিত সংগঠন আলফা (স্বাধীন)লৈ ন ন যুৱক-যুৱতীৰ যোগদানৰ খবৰৰ সমান্তৰালকৈ সংগঠনটোত অব্যাহত আছে মৃত্যুদণ্ডৰ ঘটনা। আজি তিনিচুকীয়া *১০ পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৪° |
| ডিব্ৰুগড় | ২০° | ২২° |
| দিল্লী | ৩৯° | ৩০° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৩° | ২৯° |
| বাংগালুৰু | ২৭° | ২২° |
| শ্বিলং | ২০° | ১৭° |

১১ মে', ২০২২

## পঞ্চায়ত প্ৰতিনিধিক ঠিকাদাৰী নকৰি কামৰ তদাৰক কৰিবলৈ পৰামৰ্শ

### মহানগৰীত বিজেপিৰ জিলা পৰিষদৰ সভা

গুৱাহাটী, ১১ মে' ঃ বিজেপিৰ নৱনিৰ্বাচিত জিলা পৰিষদৰ সদস্যসকলৰ এখন সভা আজি দিছপুৰস্থিত লোক নিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলৰ কাৰ্যকৰ্তা আৰু *১০ পৃষ্ঠাত চাওক*

■ আলু-পিঁয়াজৰ মালা পিন্ধি ইডিএফৰ প্ৰতিবাদ

## ভয়াৱহ মূল্যবৃদ্ধিৰ গ্ৰাসত অসম ঃ বন্ধ হৈ পৰিছে দৰিদ্ৰ পৰিয়ালৰ পাকঘৰ



ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১১ মে' ঃ প্ৰতিবিধ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাজ্যৰ সাধাৰণ জনতাক মাধমাৰ শোধাই অহা তথা ভয়াৱহ মূল্যবৃদ্ধিৰ গ্ৰাসত দৰিদ্ৰ পৰিয়ালৰ পাকঘৰ বন্ধ হৈ পৰাৰ সময়ত চৰকাৰে বৰ্ষপূৰ্তি পালন কৰি কোটি কোটি টকা ব্যয় কৰাৰ প্ৰয়োজন নাছিল বুলি *১০ পৃষ্ঠাত চাওক*

## সংখ্যালঘু সমষ্টিত অগপৰ সদস্যভৰ্তিৰ পৰিকল্পনা প্ৰস্তুত

ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১১ মে' ঃ অসম চৰকাৰৰ অন্যতম অংশীদাৰ আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদক শক্তিশালী কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা আঠ মে'ত আমবাৰীস্থ দলৰ মুখ্য কাৰ্যালয়ত মুকলিকৈ আহ্বান জনোৱাৰ পাছতে *১০ পৃষ্ঠাত চাওক*

■ ছয়মাইলৰ উৰণীয়া সেঁতুৰ তলত জিলা প্ৰশাসনে প্ৰায় এশজন শাক-পাচলি, ফল-মূলৰ ক্ষুদ্ৰ ব্যৱসায়ীক উচ্ছেদ কৰাত প্ৰতিক্ৰিয়া

## পৌৰ নিগম, দালালে কৰ সংগ্ৰহ কৰাৰ এঘণ্টা পাছতে ছয়মাইলত উচ্ছেদ চলিল



ষ্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ১১ মে' ঃ কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নেতৃত্বত আজি ছয়মাইল উৰণীয়া সেতুৰ তলত, পাঞ্জাবাৰীৰ দিশত থকা প্ৰায় এশ ব্যৱসায়ীক উচ্ছেদ কৰা হয়। উচ্ছেদিত ব্যৱসায়ীসকল মূলতঃ শাক-পাচলি, ফলমূল আৰু মাছৰ বেপাৰী আছিল। উল্লেখ্য যে উক্ত স্থানত ২০০৮ৰ *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



*লোড শ্বেডিং হ'লেই কাৰোবাৰ জোতাৰ শব্দ আপ...টি এম চিৰ নহয়তো!*

■ বিশ্বৰ ভিতৰতে বিস্ময়কৰ অৰুণাচল প্ৰদেশৰ নয়নাভিৰাম এই জলপ্ৰপাতক পবিত্ৰৰূপে গণ্য কৰা হয়

## ১০৮টা জলধাৰাৰ সৌন্দৰ্যক বিশ্ব পৰ্যটনলৈ নিব সেনাই

ষ্টাফ ৰিপৰ্টাৰ
তেজপুৰ, ১১ মে'ঃ অৰুণাচল প্ৰদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী অঞ্চলত মুঠ ১০৮টা পৃথক জলধাৰা একেলগ হোৱা স্থানক উন্নয়নৰে দেশৰ তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন ক্ষেত্ৰতো এক উল্লেখ্য স্থান হিচাপে পৰিচিত কৰি তোলাৰ বাবে উদ্যোগ লৈছে সেনাবাহিনীয়ে। উল্লেখ্য যে শতাধিক জলধাৰাৰে এক নয়নাভিৰাম জলপ্ৰপাতৰ ৰূপ লোৱা তথা চুমি গ্যাটচ জলপ্ৰপাত হিচাপে পৰিচিত এই জলপ্ৰপাতৰ



বিষয়ে আজি প্ৰকাশ কৰি সেনাৰ মুখপাত্ৰ লেফটেনেণ্ট কৰ্ণেল অমৰিন্দৰ সিং ৱালিয়াই কয় যে দেশৰ এই বিস্ময়কৰ জলপ্ৰপাতৰ বিষয়ে দেশ-বিদেশৰ পৰ্যটকসকলে জনা উচিত। এই জলপ্ৰপাত আৰু কাষৰীয়া অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্যই পৰ্যটকক নিশ্চিতভাৱে আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে ইয়ে অৰুণাচল প্ৰদেশৰ অৰ্থনৈতিক উন্নয়নতো যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাব। স্থানীয় ৰাইজে পবিত্ৰ জলপ্ৰপাত হিচাপে গণ্য কৰা এই *১০ পৃষ্ঠাত চাওক*

## আলফা (স্বাঃ)ত যোগ দিলে টিংখাঙৰ কণ্ঠশিল্পী অভিলেষ বৰা-নুমলীগড়ৰ পৰাগ চেতিয়া



অগ্ৰদূত বাৰ্তা
ৰাজগড়/সোণাৰি, ১১ মে' ঃ নিষিদ্ধ ঘোষিত সংগঠন আলফা (স্বাধীন)ত বৰ্তমানেও অব্যাহত আছে যোগদান প্ৰক্ৰিয়া। শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ একাংশ যুৱক-যুৱতীয়ে সংগঠনটোত যোগদানৰ সমান্তৰালকৈ আৰক্ষীৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১২ মে', ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## পুনৰ আলফা (স্বাঃ)লৈ মুছলপুৰৰ যুৱক

### বিগত সাতদিনে সন্ধান নাই মুছলপুৰৰ সৌৰভ ৰাজবংশীৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ মে' ঃ** আলফা (স্বাধীন)ত অসম আৰক্ষীৰ চোৰাংচোৰা বুলি দুজনকৈ কেডাৰক মৃত্যুদণ্ড বিহাক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তো নতুন নতুন যুৱক-যুৱতীৰ সংগঠনটোলৈ গমন অব্যাহত আছে। বাগ্‌সা জিলাৰ মুছলপুৰৰ মনসাৰ এজন যুৱকৰ ৰহস্যজনক নিৰুদ্দেশৰ লগতে সামাজিক মাধ্যমত চলা চৰ্চাৰ ঘটনাই এনে অনুৰূপ সন্দেহৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বিগত সাতদিনে সন্ধান নাই মনসাৰ সৌৰভ ৰাজবংশী নামৰ যুৱকজনৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক

## ৰাইজে দান-বৰঙণি সংগ্ৰহ কৰি নিজেই খহনীয়া প্ৰতিৰোধৰ চেষ্টা চলাইছে

# তেজপুৰৰ বিহিয়া গাঁৱত জীয়াভৰলীৰ খহনীয়া

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ মে' ঃ** তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত জীয়াভৰলী নৈয়ে সৃষ্টি কৰা খহনীয়া এক দীৰ্ঘদিনীয়া সমস্যা হিচাপে পৰিগণিত হৈ আহিছে। এই খহনীয়া ৰোধৰ নামত একাংশৰ ব্যক্তিগত লাভ হ'ল যদিও সমস্যা পূৰ্বৰ দৰেই থাকিল। বৰ্তমান জীয়াভৰলী নৈ পাৰৰ গড়শিঙা বিহিয়া গাঁও অঞ্চলত প্ৰবল ৰূপ ধাৰণ কৰিছে। বাৰিষা প্ৰতিবাৰেই এনে খহনীয়া ৰোধ কৰা হ'ব বুলি চৰকাৰী প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিলেও শেষত সকলো ফুটুকাৰ ফেনত পৰিণত হয়। জলসম্পদ বিভাগৰ নিষ্ক্ৰিয়তাৰ বিপৰীতে অঞ্চলটোত খহনীয়াৰ বাবে বৰ্তমান এটা মথাউৰি, এটা অংগনৱাড়ী কেন্দ্ৰ আৰু বহুসংখ্যক কৃষিজীৱী পৰিয়ালৰ বাসগৃহ আৰু তথা কৃষিপথাৰ আৰু সম্পত্তি জাহ যোৱাৰ লগতে পুনৰ অৱশিষ্ট অংশলৈ ভাবুকি বৃদ্ধি কৰিছে। এনে অৱস্থাত গড়শিঙা বিহিয়া গাঁৱৰ নৈপৰীয়া ৰাইজ উপায়হীন হৈ দান-বৰঙনিৰে সংগ্ৰহ কৰে আৰু এনেদৰে সংগৃহীত আঠ-ন লাখ টকা ব্যয় কৰি জীয়াভৰলীৰ বিধ্বংসী খহনীয়া ছয় পৃষ্ঠাত চাওক



## গীতে মাতে জীপাল তেজপুৰৰ বৃদ্ধাশ্ৰম



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১১ মে' ঃ** নিজৰ সপোনৰ ঘৰখনৰ পৰা বিচ্ছিন্ন হৈছে আৰু সম্প্ৰতি তেজপুৰ বেছেৰীয়াস্থিত ককা আইতাৰ আপোন ঘৰ 'দৰ্পন' নামৰ বৃদ্ধাশ্ৰমখনত আশ্ৰয় গ্ৰহণ কৰি থকা ১০ গৰাকীকৈ লোকৰ মনৰ বুজ লোৱাৰ লগতে তেওঁলোকৰ লগত কিছু সময় কটোৱাৰ উদ্দেশ্যৰে আজি ইয়াত উপস্থিত হয় তেজপুৰ মহিলা সমিতি আৰু ছয় পৃষ্ঠাত চাওক

## ধিঙত বিক্ৰী কৰিবলৈ অনা ম'হৰ আক্ৰমণত দুজন আহত

অগ্ৰদূত বাৰ্ত

**ধিং, ১১ মে'ঃ** আজি ধিঙৰ সাপ্তাহিক বজাৰত বিক্ৰী কৰিবলৈ অনা এটা ম'হে মহিলাসহ দুজন লোকক খুন্দিয়াই আহত কৰে। দুয়োকে স্থানীয় লোকৰ তৎপৰতাত লগে লগে ধিং এফআৰইউত ভৰ্তি কৰা হয় যদিও মহিলাগৰাকীৰ অৱস্থা অতি সংকটজনক হোৱাৰ বাবে চিকিৎসকে উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। মহিলাগৰাকীৰ পৰিচয় বৰ্তমানেও জানিব পৰা হোৱা নাই। আনহাতে, বিলতীয়াৰ জয়নাল আবেদিন নামৰ লোকজন ধিং এফআৰইউতে চিকিৎসাধীন হৈ আছে যদিও তেওঁকো চিকিৎসকে উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ নিয়াৰ বাবে পৰামৰ্শ দিয়ে। গৰাকীৰ পৰা এৰা খাই অহা ম'হটো বৰ্তমান স্থানীয় ৰাইজ বাবে আতংকৰ কাৰণ হৈ পৰিছে।

## আৰক্ষী থানা ঘেৰাও কৰি উত্তাল প্ৰতিবাদ

### ধন দাবী কৰা চোৰাংচোৱাক আটকৰ পাছতো এৰি দিয়াক লৈ ক্ষুব্ধ ৰাইজ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১১ মে' ঃ** আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ চোৰাংচোৰা বুলি দাবী কৰি অহা এজন যুৱকে মৰিগাঁও আৰক্ষীৰ শীৰ্ষ বিষয়াৰ নামত দাবীকৃত ধন আনিবলৈ গৈ ৰাইজৰ হাতত আটক হোৱাৰ পাছত আৰক্ষীয়ে মুকলি কৰি দিয়াৰ ঘটনাক লৈ আজি উত্তাল হৈ পৰে লাহৰীঘাট আৰক্ষী থানা চৌহদ। দুই শতাধিক লোকে আজি বিয়লি প্ৰায় এক বজাত থানা চৌহদত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ মতে, আজাহাৰুল ইছলাম নামৰ যুৱকজনে মৰিগাঁও আৰক্ষীৰ চোৰাংচোৰা বুলি পৰিচয় দি অহাৰ লগতে নিজকে এছ কে আজাহাৰুল বুলি পৰিচয় দি আহিছিল। যুৱকজনে কিছুদিনৰ পৰা মৰিগাঁও আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত চোৰাংচোৱাৰূপে কাম কৰি আহিছিল যদিও সেই পৰিচয় গোপনে নাৰাখি একাংশ অভিযুক্ত লোকক ভয়-ভীতি প্ৰদৰ্শন কৰি আৰক্ষীৰ পৰা ৰক্ষা কৰাৰ বিনিময়ত ধন সংগ্ৰহ কৰি আহিছে। এনে অভিযোগৰ মাজতে যোৱা ন মে'ত গোচৰৰ পৰা নাম কৰ্তন কৰি দিয়াৰ বাবদ ভূঞাবাৰী পথাৰগাঁৱৰ চাৰিজন লোকৰ পৰা ডেৰ লাখ টকাকৈ দাবী কৰি দাবীকৃত ধন আনিবলৈ গৈ ৰাইজৰ হাতত আটক হ'বলগীয়া হৈছিল ছয় পৃষ্ঠাত চাওক

## অনুজ্ঞাপত্ৰ নাই একাংশৰ ঃ ঔষধ ব্যৱসায়ীৰে গোপন বুজাবুজি পৰিদৰ্শকৰ

# নগাঁও জিলাত আজিও ফাৰ্মাচিষ্ট অবিহনে চলি আছে শ শ ফাৰ্মাচী

বিশেষ সংবাদদাতা

**নগাঁও, ১১ মে' ঃ** অবিভক্ত নগাঁও জিলাত অতি উদ্বেগজনকভাৱে য'তে-ত'তে গঢ়ি উঠিছে বিভাগীয় অনুজ্ঞাপত্ৰবিহীন অসংখ্য ফাৰ্মাচী। তদুপৰি অধিকাংশ ফাৰ্মাচীতেই নাই ডিগ্ৰীধাৰী ফাৰ্মাচিষ্ট। জিলাখনৰ গ্ৰামাঞ্চল আৰু আন সৰু সৰু চহৰৰ কথা বাদেই নগাঁও চহৰতেই বিভাগীয় অনুজ্ঞাপত্ৰ অবিহনে চলি আছে বিভিন্ন ধৰণৰ ফাৰ্মাচী। নগাঁও জিলা স্বাস্থ্য বিভাগৰ একাংশ বিষয়া, নগাঁও জিলা ঔষধ পৰিদৰ্শকৰ কাৰ্যালয়ৰ বিষয়া, একাংশ ঔষধ পৰিদৰ্শকক মেনেজ কৰি জিলাখনৰ একাংশ ঔষধ ব্যৱসায়ীয়ে বিভাগীয় অনুজ্ঞাপত্ৰ, পঞ্জীয়ন আৰু ফাৰ্মাচিষ্ট অবিহনেই ফাৰ্মাচীসমূহ চলাই থকা বুলি অভিযোগ উত্থাপিত হৈছে।

উল্লেখ্য যে অবিভক্ত নগাঁও জিলাত বিভাগীয় অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়ন থকা মুঠ ফাৰ্মাচীৰ সংখ্যা সাত শতাধিক। কিন্তু বাস্তৱ ক্ষেত্ৰত অবিভক্ত নগাঁও জিলাত থকা বিভিন্ন ধৰণৰ ফাৰ্মাচীৰ সংখ্যা এহেজাৰখনৰো অধিক। স্বাস্থ্য বিভাগৰ নিৰ্দেশনা অনুসৰি, বিভাগীয় পঞ্জীভুক্ত, প্ৰতিখন অনুজ্ঞাপত্ৰ থকা ফাৰ্মাচীতে অসম ফাৰ্মাচী কাউঞ্চিলৰ ডিগ্ৰী-ডিপ্ল'মাধাৰী একোজন ফাৰ্মাচিষ্ট নিযুক্তি দিয়াটো বাধ্যতামূলক। কিন্তু জিলাখনৰ ঔষধ ব্যৱসায়ীসকলে নিজা ফাৰ্মাচীসমূহত কাগজে-কলমেহে তেনে ফাৰ্মাচিষ্ট নিযুক্তি দিছে। জিলাখনৰ ৯০ শতাংশ ফাৰ্মাচীতেই তেওঁলোকে বিভাগীয় নথিত নিযুক্তি দিয়া বুলি উল্লেখ কৰা ফাৰ্মাচিষ্টৰ কোনো অস্তিত্ব বিচাৰি পোৱা নাযায়। উল্লেখ্য যে ফাৰ্মাচীৰ স্বত্বাধিকাৰসকলে একাংশ ফাৰ্মাচিষ্টক নিজা ফাৰ্মাচীত নিযুক্তি দিয়া দেখুৱাই ব্যৱসায় চলাই থকাৰ বাবদ সেই ফাৰ্মাচিষ্টসকলক প্ৰতিমাহে মোটা অংকৰ ধন আদায় দি আহিছে। মুঠতে একাংশ ফাৰ্মাচিষ্টৰ ফাৰ্মাচিষ্ট অনুজ্ঞাপত্ৰ ভাড়াত লৈহে ঔষধ ব্যৱসায়ীসকলে ফাৰ্মাচীসমূহ চলাই আছে। অৱশ্যে এই জালিয়াতিৰ কথা নগাঁও জিলা প্ৰশাসন, নগাঁও স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ছয় পৃষ্ঠাত চাওক

## জামুগুৰিহাটত ২৪ ঘণ্টাত ৰেলৰ আগত পৰি দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১১ মে' ঃ** বিগত ২৪ ঘণ্টাত জামুগুৰিহাটত ৰেলৰ খুন্দাত মৃত্যু হৈছে দুজনকৈ লোকৰ। জামুগুৰিহাটৰ ঢৌভঙাৰ ৰেলপথত আজি পুনৰ এজন লোকৰ মৃত্যু হয়। দিনৰ প্ৰায় ১১-৩০ বজাত ৰেলৰ খুন্দাত মৃত্যু হয় লোকজনৰ। এই পৰ্যন্ত লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। উল্লেখ্য যে কালি বিয়লিও জামুগুৰিহাটৰ বাকোলাৰ সমীপৰ শিয়ালমাৰীত ৰেলৰ আগত পৰি এজন লোকৰ মৃত্যু হৈছে। বিগত ২৪ ঘণ্টাৰ ভিতৰত দুজনকৈ লোকৰ ৰেলৰ আগত পৰি মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## শিৱসাগৰৰ দৰিকাপাৰত ট্ৰাকৰ খুন্দাত থিতাতে নিহত এজন

বিশেষ সংবাদদাতা

**শিৱসাগৰ,১১ মে' ঃ** শিৱসাগৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত চহৰৰ সমীপৰ ৩৭ নম্বৰ ঘাইপথত আজি নিশা ৮.৩০ বজাত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত স্কুটী আৰোহী থিতাতে নিহত হয়। অতি বিপদসংকুল দৰিকাপাৰৰ ঘাইপথৰ দৰিকা দলঙৰ সমীপতেই এখন অচিনাক্ত মালবাহী ট্ৰাকৰ খুন্দাতেই নিহত লোকজনক ঘটনাস্থলীত উদ্ধাৰ হোৱা নথিৰ পৰা দিছিয়াল গাঁও ঢুলীয়াপাৰৰ নিৱাসী কিশোৰ ৰঞ্জন শইকীয়া বুলি চিনাক্ত কৰা হয়। উল্লেখ্য যে এএছ-০৪ এল-৬০৩০ নম্বৰৰ স্কুটীখনেৰে বেতবাৰীৰ দিশৰ পৰা শিৱসাগৰ চহৰ অভিমুখে আহি থকা অৱস্থাতেই একে দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকে পাছফালৰ পৰা মহটিয়াই নিয়াৰ ফলতেই যুৱকজনৰ থিতাতে নিহত হয়। হেলমেট পৰিধান কৰা যুৱকজনৰ শৰীৰৰ ওপৰেৰে ছয় পৃষ্ঠাত চাওক

## কচুৱাৰ শ্ৰমিকৰ কেৰালাত মৃত্যু

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১১ মে' ঃ** দৰিদ্ৰতাৰ কবলত পৰি বহিঃৰাজ্যত কৰ্মসংস্থাপন বিচাৰি গৈ কচুৱাৰ এজন যুৱকৰ মৃত্যু হোৱাৰ ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে অঞ্চলটোত। কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত বৰপানী চাহ বাগিচাৰ জিত গাঁৱৰ সুৰেন্দ্ৰ নায়ক (৪০) নামৰ বিবাহিত যুৱকজনে দৰিদ্ৰতাৰ বাবেই তিনি বছৰ পূৰ্বে কেৰালালৈ গৈছিল। তেতিয়াৰে পৰা কেৰালাত দিন মজুৰি কৰি পৰিয়াল পোহপাল দি অহা সুৰেশে কিছুদিন পূৰ্বে শাৰীৰিকভাৱে অসুস্থ হৈ পৰে। দৰিদ্ৰ পৰিয়ালটোক কাম কৰি পোহপাল দি অহা শ্ৰমিকজনৰ স্বাস্থ্যৰ অৱনতি ঘটাত সতীৰ্থসকলে এখন চিকিৎসালয়ত ভৰ্তি কৰায় যদিও তাতে শেষনিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত কণমানি শিশুকন্যাসহ পত্নীৰ লগতে পিতৃ-মাতৃক এৰি যোৱা শ্ৰমিকজনৰ আকস্মিক মৃত্যুত দুৰ্ভগীয়া পৰিয়ালটোৰ মৃতৰ সৎকাৰ ভাগি পৰাৰ লেখীয়া হৈছে। কোনো ছয় পৃষ্ঠাত চাওক

## লখিমপুৰ চহৰৰ যানবাহন চলাচল কৰা পথৰ কিছু সাল-সলনি

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১১ মে' ঃ** উত্তৰ লখিমপুৰ নগৰৰ যানজঁটৰ প্ৰতি লক্ষ্য ৰাখি যানবাহন চলাচল কৰা পথৰ কিছু সালসলনি কৰা হৈছে। সেই মৰ্মে হাৰমতী দিশৰ পৰা অহা যানবাহনসমূহ টাউন দৈনিক বজাৰৰ কাষৰ পথেৰে উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখৰে চি ডি ৰোড হৈ ওলাই যাব আৰু ধেমাজি দিশৰ পৰা অহা যানবাহনসমূহ আম্বেদকাৰৰ প্ৰতিমূৰ্তিৰ কাষেৰে তিনিচুকীয়া হৈ এন টি ৰোডৰ লখিমী চাৰিআলি হৈ হাৰমতী দিশে যাব। উল্লেখ্য যে যোৱা ৩১ মাৰ্চত জিলা উপায়ুক্ত কাৰ্যালয়ত হোৱা সিদ্ধান্ত মৰ্মে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত উত্তৰ লখিমপুৰ নগৰৰ জনসাধাৰণৰ কোনো ধৰণৰ ওজৰ-আপত্তি থাকিলে উত্তৰ লখিমপুৰ পৌৰসভা কাৰ্যালয়ত সাত দিনৰ ভিতৰত জনাবলৈ পৌৰসভা কৰ্তৃপক্ষই আহ্বান জনাইছে।

## ৰঙিয়াত দুষ্প্ৰাপ্য প্ৰজাতিৰ কেঁটেলা পহু উদ্ধাৰ ঃ আটক চাৰি



অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১১ মে' ঃ** ৰঙিয়া থানাৰ আৰক্ষীয়ে আজি দুষ্প্ৰাপ্য প্ৰজাতিৰ দুটা কেঁটেলা পহু উদ্ধাৰ কৰে। উত্তৰ প্ৰদেশৰ এটা দুষ্ট চক্ৰই কেঁটেলা পহু দুটা বহিঃৰাজ্যলৈ কঢ়িয়াই নিয়া অৱস্থাত ৰঙিয়া আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে সদৰী কৰা মতে, দুষ্কৃতিকাৰীয়ে কেঁটেলা পহু দুটাক অত্যাধুনিক পিঞ্জৰাত বন্দী কৰি এখন ট্ৰাকত কৌশলেৰে বহিঃৰাজ্যলৈ নি থকা অৱস্থাত ৩১ নম্বৰ ঘাইপথত ট্ৰাকখন আৱদ্ধ কৰি তালাচী চলোৱাত কেঁটেলা পহু দুটা উদ্ধাৰ কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ইউপি- ২১ বিএন-৭২০৮ নম্বৰৰ ট্ৰাকখন জব্দ কৰে। কেঁটেলা পহু দুটা চাৰিজনীয়া দল এটাই ছয় পৃষ্ঠাত চাওক

## অনুসূচিত জনজাতি-অন্যান্য পিছ পৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ প্ৰদানৰ বিশেষ অভিযান

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১১ মে' ঃ** চৰকাৰৰ সাধাৰণ জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণীৰ উন্নয়ন বিভাগৰ উদ্যোগত যোৱা ১০ মে'ৰ পৰা ১০ জুন পৰ্যন্ত অনুসূচিত জাতি অনুসূচিত জনজাতি তথা অন্যান্য পিছ পৰা শ্ৰেণীৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ এক বিশেষ অভিযান গ্ৰহণ কৰা হৈছে। সেই মৰ্মে আজি তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুসূচিত জাতি অনুসূচিত জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ নৱমৰ পৰা



দ্বাদশ শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰীসকলক জাতিগত প্ৰমাণপত্ৰ প্ৰদান সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। উপায়ুক্ত নৰসিং পৱাৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত বৈঠকত অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাৰ ককলাবাৰী পৰিষদীয় সমষ্টিত কে'বাখনো আঁচনিৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**জালাহ/শালবাৰী, ১১ মে' ঃ** বাগ্‌সা জিলাৰ ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিত আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা স্থাপনকে ধৰি পশ্চিম ৰিহাবাৰী আৰু চৰ্গাত আইচিবিপিৰ ফাণ্ডৰ দুটাকৈ পকী পথ, জালাহ চ'কত নলা নৰ্দমাকে ধৰি কে'বাটাও আঁচনিৰ আধাৰশিলা স্থাপন কৰে। অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই কয়, 'বড়ো সাহিত্য সভাৰ অধিবেশনৰ লগতে অন্যান্য কামৰ বাবে ককলাবাৰী পৰিষদীয় সমষ্টিত হ'ব লগীয়া ২৫ টা পথৰ নিৰ্মাণ হ'বলৈ গৈ আছে। আজি মই সেইবোৰ চাবলৈ আহিছো আৰু যোৱা বছৰত ককলাবাৰী পৰিষদীয় সমষ্টিত ২৭ টা পথ নিৰ্মাণ কৰা হৈছিল। ইয়াৰ লগতে দলং আৰু কালভাৰ্ট নিৰ্মাণ কৰিবলগীয়া আছে। সেয়ে অভিযন্তাৰ সহিতে চাবলৈ আহিছো।' বিটিএডি অঞ্চলৰ জালাহত অসম সাহিত্য সভাৰ এক মাত্ৰ আঞ্চলিক কাৰ্যালয় আছে বুলি উল্লেখ কৰি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োই পুনৰ কয় যে অসম সাহিত্য সভাৰ এই জালাহ আঞ্চলিক কাৰ্যালয়ত ভাষা শিক্ষাৰে পৰা আদি কৰি বহুত ভাল ভাল প্ৰকল্প চলি আছে। সেইকাৰণে আমি এই কাৰ্যালয়টো নিৰ্মাণ কৰাৰ বাবে গৈ আছো প্ৰথমে ২৫ লাখ টকা দিয়াৰ কথা দিছিলো যদিও এই বৰ্ষৰ বাজেটৰ পৰা আৰু ১০ লাখ ছয় পৃষ্ঠাত চাওক

## পকীকৰণৰ এবছৰ নৌহওঁতেই সৃষ্টি হৈছে পুখুৰীসদৃশ গাঁতৰ

### ডি কে গড়কাপ্টানী পথৰ দুৰৱস্থা

**তামাৰহাট, ১১ মে' ঃ** ধুবুৰী কচুগাঁও গড়কাপ্টানী পথৰ দুৰৱস্থাই ৰাইজক জুলা-কলা খুৱাইছে। পথটো পকীকৰণ কৰিলেও ৰাইজৰ দুখ-যন্ত্ৰণাৰ অৱসান ঘটা নাই। পূৰ্বৰ তুলনাত আৰু অধিক বিধ্বস্ত অৱস্থালৈ পৰ্যবসিত হৈছে উক্ত পথটো। ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ স'তে যোগাযোগ সম্পৰ্ক ৰক্ষা কৰা উক্ত পথটো সম্প্ৰতি পুখুৰীলৈ পৰ্যবসিত হৈছে। বিশেষকৈ ছয় পৃষ্ঠাত চাওক



## 'বসন্তৰ সুবাস সনা আবেলি' শীৰ্ষকেৰে নৃত্য-গীত-বাদ্যৰ বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১১ মে' ঃ** শিৱসাগৰৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ত আজি 'বসন্তৰ সুবাস সনা আবেলি' শীৰ্ষক এটি গীত-নৃত্য-বাদ্যৰ বৰ্ণাঢ্য অনুষ্ঠান হয়। অনুষ্ঠানটোৰ স'তে সংগতি ৰাখি ২০২২ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ দলৰূপে গৌৰৱ কঢ়িয়াই অনা মহাবিদ্যালয়ৰ দলটোৰসমূহ সদস্য, তত্বাৱধায়ক, প্ৰশিক্ষক, বাদ্যযন্ত্ৰী, অভিভাৱকসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানটো উদ্বোধন কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড' সব্যসাচী মহন্তই পুথিগত শিক্ষাৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ অন্যান্য প্ৰতিভাসমূহৰ কৰ্ষণ-অনুশীলনৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ এনে ধৰণৰ অনুষ্ঠান তথা যুৱ মহোৎসৱত সক্ৰিয়ভাৱে অংশগ্ৰহণৰ জৰিয়তে মহাবিদ্যালয়খনে উৎকৃষ্টতাৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত লোৱা নিৰন্তৰ প্ৰয়াসৰ শলাগ লয়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপকদ্বয় ক্ৰমে প্ৰণৱ দুৱৰা আৰু ড' অঞ্জন কোঁৱৰৰ বিশেষ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটোত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী গীতিকাৰ, সুৰকাৰ ধৰ্ম ফুকন, সংগীত শিল্পী সুৰকাৰ প্ৰবীণ মহন, যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ গায়িকা অনন্যা গগৈ তথা মহোৎসৱত ছয় পৃষ্ঠাত চাওক

## চালকবিহীন যন্ত্ৰচালিত নাৱত ব্ৰহ্মপুত্ৰৰ বুকুত অচেতন অৱস্থাত উদ্ধাৰ মহিলা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১১ মে' ঃ** ব্ৰহ্মপুত্ৰৰ মাজত এখন চালকবিহীন যন্ত্ৰচালিত নাৱত এগৰাকী অচেতন মহিলাক উদ্ধাৰক লৈ আজি শুৱালকুছিত তীব্ৰ উৎকণ্ঠাৰ সৃষ্টি হয়। শুৱালকুছিত ব্ৰহ্মপুত্ৰৰ মাজনদীত চালকবিহীন যন্ত্ৰচালিত নাওখন পুৱা ছয় বজাত কৰ্তব্যৰত শুৱালকুছি নদী আৰক্ষী থানাৰ কনিষ্টবল বুদ্ধেশ্বৰ দাসে প্ৰত্যক্ষ কৰে। তেওঁ ততাতৈয়াকৈ নাওখন মাজনদীৰ পৰা উদ্ধাৰ কৰি অনাত এগৰাকী ২৮ বছৰীয়া চুৰিদাৰ পৰিহিতা অচেতন মহিলাক ছয় পৃষ্ঠাত চাওক

## যোৰহাটত ভুৱা অধিবক্তা আটক

### নিজকে অধিবক্তাৰূপে চিনাকি দি বহুতকে কৰিছিল প্ৰৱঞ্চনা



ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১১ মে' ঃ** ক'লা কোট-পেণ্ট আৰু বগা ছাৰ্ট পিন্ধি নিজকে অধিবক্তা বুলি চিনাকি দি প্ৰৱঞ্চনা কৰি অহা এজন ভুৱা অধিবক্তাক গ্ৰেপ্তাৰ কৰিছে যোৰহাট আৰক্ষীয়ে। ধৃত ভুৱা অধিবক্তাজন নগৰখনৰ উপকণ্ঠ ছৈকটা চাহ বাগিচাৰ পদুম কৰ্মকাৰ। চুৰি সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা এজন লোকক জামিনত উলিয়াই দিয়াৰ প্ৰতিশ্ৰুতি দি ছয় পৃষ্ঠাত চাওক

## পুনৰ অস্ত্ৰ লোৱাৰ হুংকাৰ বীৰছা কমাণ্ডো ফ'ৰ্চৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১১ মে' ঃ** আদিবাসীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰাকৈয়ে যুদ্ধ বিৰত আদিবাসী বিদ্ৰোহী সংগঠনৰ স'তে শান্তিচুক্তি সম্পাদনৰ তীব্ৰ বিৰোধিতা কৰিছে উগ্ৰপন্থী সংগঠন বীৰছা কমাণ্ডো ফ'ৰ্চে। চিৰাঙৰ ভাৰত-ভুটান সীমান্ত দেউশ্ৰীত থকা ডেজিগনেটেড শিবিৰত আজি এক সংবাদমেল সম্বোধন কৰি সংগঠনটোৱে ছয় পৃষ্ঠাত চাওক

## সমাগত গুণোৎসৱক লৈ বিপাঙত গোসাঁইগাঁৱৰ শিক্ষক

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১১ মে'ঃ** শিক্ষা আৰু শিক্ষাৰ্থীৰ মান নিৰূপণ কৰাৰ লগতে অন্যান্য সমস্যাসমূহ চিনাক্ত কৰি নথিভুক্ত কৰিবলৈ আজিৰে পৰা ৰাজ্যখনত আৰম্ভ হৈছে গুণোৎসৱ। তিনিটা পৰ্যায়ত অনুষ্ঠিত গুণোৎসৱৰ আজি আছিল প্ৰথম পৰ্যায়। আজি ১০ খন জিলাত গুণোৎসৱৰ আৰম্ভ হৈছে। উল্লেখ্য যে ক'ভিড চলি থকা বাবে বিগত দুটা বৰ্ষত স্কুলসমূহত কোনো গুণোৎসৱ হোৱা নাছিল যদিও বৰ্তমানে পৰিস্থিতি উন্নত হোৱাত আৰু শিক্ষাক আগুৱাই নিয়াৰ লগতে বিদ্যালয়ৰ বাস্তৱ সমস্যাসমূহ নিশ্চিত কৰিবলৈ গুণোৎসৱৰ আয়োজন কৰিছে চৰকাৰৰ শিক্ষা বিভাগে। কিন্তু শিক্ষাৰ ক্ষেত্ৰত অতিকৈ গুৰুত্বপূৰ্ণ এই গুণোৎসৱ এই মুহূৰ্তত বহুতো বিদ্যালয়ৰ শিক্ষকৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। গুণোৎসৱক লৈ বিপদত পৰিছে একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে। বিশেষকৈ পৰ্যাপ্ত গৃহ আৰু আন্তঃগাঁথনি নথকা বিদ্যালয়, এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ শিক্ষকসকলে গুণোৎসৱক লৈ চিন্তিত হৈছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত কচুগাঁও আৰু গোসাঁইগাঁও শিক্ষা খণ্ডৰ অধীনত থকা বহু প্ৰাথমিক স্কুলত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নাই। এশ-ডেৰশ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এগৰাকী শিক্ষকে পাঠদান দি আহিছে। শিক্ষক নথকা তেনে স্কুলত গুণোৎসৱ কিমান দূৰ সফল আৰু কাৰ্যকৰী হ'ব সেয়া সকলোৰে জ্ঞাত। এজন শিক্ষক থকা বিদ্যালয়ৰ শিক্ষকসকলে এতিয়া

### শিক্ষকৰ অভাৱ-আন্তঃগাঁথনি অবিহনে চলিছে গুণোৎসৱ

চকুৰে বাট নেদেখা হৈছে। এফালে, বিদ্যালয়ৰ শ্ৰেণী কাৰ্য আৰু আনপিনে মধ্যাহ্ন ভোজন আৰু গুণোৎসৱৰ বাবে ছাত্ৰ-ছাত্ৰীক লৈ প্ৰস্তুতি। কোনটো কৰিব কোনটো নকৰিব তাক লৈ হাবাথুৰি খাইছে এজন শিক্ষক থকা স্কুলৰ শিক্ষকসকলে। শিক্ষাৰ মান আৰু সমস্যা চিনাক্ত কৰিবলৈ শিক্ষা বিভাগে অনুষ্ঠিত গুণোৎসৱত এই স্কুলসমূহে কেনেকুৱা পাৰদৰ্শিতা দেখুৱাব পাৰিব তাক ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৮ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১২ মে' ২০২২

## গুণোৎসৱ

**১১ মে'ৰ** পৰা চাৰি জুনলৈকে তিনিটা পৰ্যায়ত পুনৰ ৰাজ্যত গুণোৎসৱৰ আয়োজন কৰিছে ৰাজ্য চৰকাৰে। ৰাজ্যৰ সকলো চৰকাৰী তথা প্ৰাদেশিকীকৃত বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে গুণোৎসৱত অংশগ্ৰহণ কৰিছে। এইবাৰ গুণোৎসৱত ৪২ লাখ ৫০ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ আৰু ৪৬,০০০ বিদ্যালয়ে অংশগ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষা আহৰণৰ ক্ষেত্ৰত নাইবা শিক্ষা আহৰণৰ সামৰ্থ্যৰ ক্ষেত্ৰত থকা ব্যৱধানবিলাক চিনাক্ত কৰা আৰু বুজ লোৱা গুণোৎসৱৰ অন্যতম প্ৰধান উদ্দেশ্য। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মূল্যায়ন কৰাত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। বিদ্যালয়সমূহৰ সমস্যা, আন্তঃগাঁথনি আদিৰ বিষয়েও গুণোৎসৱত ভাগ লোৱাৰ এক্সটাৰ্ণেলসকলে, বিশেষকৈ মন্ত্ৰী-বিধায়ক, শীৰ্ষ প্ৰশাসনীয় বিষয়া, শিক্ষাবিদসকলে ৰাজ্যৰ বিদ্যালয়সমূহৰ অভাৱ-অভিযোগ, অনুন্নত আন্তঃগাঁথনি আদিৰ বিষয়ে অৱগত হ'ব পাৰিব। উল্লেখ্য যে ইয়াৰ আগেয়েও অসমৰ বিদ্যালয়সমূহত চৰকাৰে গুণোৎসৱ অনুষ্ঠিত কৰিছিল একাধিকবাৰ। যোৱা দুটা বছৰে ক'ভিড মহামাৰীৰ বাবে গুণোৎসৱ বন্ধ ৰখা হৈছিল। হে যোৱা গুণোৎসৱবোৰতেই অসমৰ বিদ্যালয়সমূহৰ অভাৱসমূহ, বিশেষকৈ শিক্ষকৰ অভাৱ, জৰাজীৰ্ণ স্কুল ঘৰ, শ্ৰেণীকোঠাৰ অভাৱ, বিদ্যুৎ সংযোগৰ অভাৱ প্ৰসাৰগাৰৰ অভাৱ আদি বিভিন্ন সমস্যাসমূহ চিনাক্ত কৰা হৈছিল; কিন্তু এই অভাৱ-অভিযোগবোৰ যোৱা বছৰবিলাকত চৰকাৰে আঁতৰাব নোৱাৰিলে। বিদ্যালয়সমূহৰ শিক্ষকসমাজেই চৰকাৰৰ আওকণীয়া মনোভাৱৰ বিষয়ে অভিযোগ উত্থাপন কৰিছে। শেহতীয়াকৈ অৱশ্যে অসমৰ চাহবাগিচাবোৰত ১০০খন বিদ্যালয় স্থাপন কৰাৰ বাবে কাম কৰিছে। একাধিক চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলে এই বিদ্যালয়বোৰত শিক্ষা আহৰণৰ সুবিধা লাভ কৰিব। ৰাজ্য চৰকাৰে বহু পলমকৈ চাহ বাগিচা অঞ্চলত উন্নত মানৰ বিদ্যালয় স্থাপনৰ কাম আৰম্ভ কৰাত চাহ বাগিচাৰ হেজাৰ হেজাৰ আদিবাসী ছাত্ৰ-ছাত্ৰী আনুষ্ঠানিক শিক্ষা আহৰণৰ পৰা বঞ্চিত হৈ থাকিল। যিসকলে শিক্ষা আহৰণত গুৰুত্ব দিলে তেওঁলোকেও দূৰ-দূৰণিৰ বিদ্যালয়সমূহলৈ দৈনিক অহা-যোৱা কৰি শিক্ষা আহৰণ কৰিবলগীয়া হৈছিল। এনে কষ্টকৰ প্ৰভাৱ তেওঁলোকৰ শিক্ষা জীৱনৰ ওপৰত পৰিছিল। ব্যক্তিগত টিউছনতো বাদেই, নিয়মীয়াকৈ পঢ়াৰ বাবেই তেওঁলোকে সময় সুবিধা নাপাইছিল। সেয়ে তেওঁলোকৰ মাজত মেট্ৰিক উত্তীৰ্ণৰ হাৰ আশানুৰূপ নাছিল। চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলে ঘৰৰ কাষতে চৰকাৰী বিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰিলে চাহ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক ক্ষেত্ৰত আগুৱাই যোৱাটো নিশ্চয় সম্ভৱ হ'ব; কিন্তু ভিতৰুৱা গ্ৰামাঞ্চলত চৰকাৰী বিদ্যালয় থকা সত্ত্বেও শিক্ষকৰ অভাৱ, শ্ৰেণী কোঠাৰ অভাৱ, বিদ্যুৎ যোগানৰ অভাৱ আদি সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ পৰা বঞ্চিত হৈছে। চৰকাৰে গুণোৎসৱৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ গুণগত মান উন্নত কৰাত বিশেষ গুৰুত্ব দিছে। বিদ্যালয়সমূহে এ+(এ প্লাছ) গ্ৰেড লাভ কৰাত গুৰুত্ব দিয়া হৈছে। গুণোৎসৱৰ সুফল হিচাপে ৰাজ্যত এ প্লাছ লাভ কৰা বিদ্যালয়ৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে বুলি চৰকাৰে সদৰী কৰিছে। এ প্লাছ পোৱা বিদ্যালয়ৰ সংখ্যা যদি বাঢ়িছে, তেন্তে ই নিশ্চয় প্ৰশংসনীয় সাফল্য। কিন্তু গুণোৎসৱৰ মূল উদ্দেশ্য ই হ'ব নোৱাৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল শিক্ষাৰ সামগ্ৰিক গুণগত মান উন্নত কৰাটো। সামান্য একাংশ বিদ্যালয়ে কিছুমান কাৰণত এ প্লাছ পাব পাৰে; কিন্তু সিংহ ভাগ যদি পিছ পৰি থাকে, তেন্তে শৈক্ষিক ক্ষেত্ৰত ৰাজ্যখনে বিকাশ লাভ কৰিছে বুলি ক'ব নোৱাৰি। সেয়ে গুণোৎসৱে পিছপৰা তথা গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহৰ অৱস্থা উন্নত কৰাত অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন। বেছি ভাগ ছাত্ৰ-ছাত্ৰী গ্ৰামাঞ্চলৰ; কিন্তু এই বিদ্যালয়বিলাকৰেই অৱস্থা ভাল নহয়। বেছিভাগ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীও গ্ৰামাঞ্চলৰ। চৰকাৰে সেয়ে পিছপৰা তথা গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহৰ অভাৱ তথা সমস্যাসমূহৰ বিষয়ে বুজ লৈ সেই সমস্যাবোৰ সমাধানত জোৰ দিয়াৰ প্ৰয়োজন আছে।

চৰকাৰে গুণোৎসৱত বিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মূল্যায়ন কৰাটো এক অন্যতম লক্ষ্য হিচাপে গ্ৰহণ কৰিছে। ইয়াৰ বাবে চৰকাৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক জড়িত কৰাৰ উপৰি এক্সটাৰ্ণেলসকলৰ ওপৰত বিশেষ গুৰুত্ব দিছে। চৰকাৰে এই গুণোৎসৱত ১৮,৭৫২ গৰাকী এক্সটাৰ্ণেলে অংশগ্ৰহণ কৰিব আৰু তেওঁলোকে বিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰিব। শিক্ষাবিদৰ উপৰি মন্ত্ৰী-বিধায়ক, আই এ এছ, আই পি এছ, আই এফ এছ বিষয়া, প্ৰথম আৰু দ্বিতীয় বৰ্গৰ বিষয়াসকলে ইয়াত অংশগ্ৰহণ কৰিব। বহুতৰেই প্ৰশ্ন হ'ল, পূৰ্বৰ গুণোৎসৱৰ ফলাফল তথা সমস্যাসমূহৰ বিষয়ে বৰ্তমানৰ মূল্যায়নকাৰীসকলে অধ্যয়ন কৰি সমস্যাৰ বুজ ল'বনে? পূৰ্বৰ অভাৱ তথা সমস্যাবোৰ সমাধান কৰাটো গুণোৎসৱৰ অন্যতম উদ্দেশ্য হোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ আৰু বিদ্যালয়ৰ মূল্যায়ন কৰোঁতে সেয়ে পূৰ্বৰ অৱস্থা কেনে আছিল আৰু সেই অৱস্থাৰ সলনি হ'ল নে নাই আৰু কিমান সলনি হৈছে, সেই বিষয় মূল্যায়নকাৰীসকল অৱগত হোৱা উচিত। অন্যথা তেওঁলোকে শিক্ষা ক্ষেত্ৰত থকা সমস্যাবোৰ গভীৰলৈ যোৱা সম্ভৱ নহ'ব। আনহাতে, গুণোৎসৱত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণৰ মূল্যায়ন কৰোঁতে কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি (২০২০)ৰ প্ৰতি লক্ষ্য ৰাখি নাইবা এই নীতি অনুসৰি কাম কৰিব লাগিব। নতুন শিক্ষা নীতিয়ে পূৰ্বৰ মুখস্থ বিদ্যা নস্যাৎ কৰিছে। ইয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰতিভাৰ বিকাশত সহায় কৰাত নতুন শিক্ষানীতিয়ে জোৰ দিছে। নতুন শিক্ষানীতিয়ে মাতৃভাষা বা আঞ্চলিক ভাষা মাধ্যমৰ ওপৰতো জোৰ দিছে। গুণোৎসৱত শিক্ষাৰ মূল্যায়নকাৰীসকলে সেয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি শিক্ষাৰ মূল্যায়ন কৰা উচিত হ'ব।

## খো লা ম ঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**ইংৰাজৰ** শাসনৰ ওৰ পেলাই ভাৰতীয় জনগণে শাসনৰ ভাৰ হস্তগত কৰিলে গণতন্ত্ৰৰ শাসন ব্যৱস্থাৰে। তেতিয়াৰ পৰাই নিৰ্বাচিত জননেতাসকলে ৰাইজৰ অভিভাৱক হিচাপে প্ৰজাৰ সুখ-দুখ, শান্তি-সম্প্ৰীতিৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিব লগা হ'ল। সেই সময়ৰ জননেতাসকলৰ উদাৰতা আৰু মানৱতাই জনসাধাৰণক সন্তোষ প্ৰদান কৰিছিল। এনে জনপ্ৰতিনিধিও আমি দেখিবলৈ পাইছিলো চাইকেল মাৰি, খোজকাঢ়ি আহিও জনতাৰ সুখ-দুখ, অভাৱ-অভিযোগৰ খবৰ লৈছিলহি। সহজ-সৰল ভাবমূৰ্তিৰ সেইসকল নেতা-পালিনেতালৈ মনত পৰিলে আজিও ভক্তিত মূৰ দোঁ খাই যায়। নিজৰ সুখ-দুখলৈ আওকাণ কৰি সমষ্টিবাসীৰ প্ৰয়োজনৰ কথাতহে গুৰুত্ব প্ৰদান কৰিছিল। দেশসেৱা বা মানুহ সেৱাহে সেইসকলৰ প্ৰথম আৰু প্ৰধান কাৰ্যসূচী আছিল। ন ন প্ৰগতিৰ পথেৰে ৰাইজক আগুৱাই নিয়াটোহে সেইসকল জননেতাৰ মূল উদ্দেশ্য বুলি গণ্য কৰিছিল।

আজিৰ জননেতা বহুতৰে এনে সৎ গুণৰ বাৰুকৈয়ে অভাৱ দেখা যায়। ৰাইজৰ সেৱাৰ পৰিৱৰ্তে নিজৰ প্ৰতিপত্তি শক্তিশালী কৰাতহে উঠিপৰি লগা দেখা যায়। বহু সময়ত নিজৰ মুখৰ প্ৰতিশ্ৰুতিকো মূল্য দিয়া দেখা নাযায়। সমৰ্থসকলক দলনিত পোনা এৰাদি এৰি অভীষ্ট সিদ্ধিৰ বাবেই ইটো দল এৰি সিটো দললৈ দৌৰি ফুৰাও সেইসকলৰ প্ৰয়োজন হয়। জনতাৰ আঁচনিৰ ধনৰাশি নিজৰ উদৰতেই সোমাই যায়। এনেদৰে আজিৰ কিছু জননেতা প্ৰকাৰান্তৰে ভ্ৰষ্টাচাৰীত পৰিণত হৈছে। জনগণ সচেতন হ'বৰ হ'ল। কাৰণ নেতাসকলক তেওঁলোকৰ বোপাইৰ ফল হিচাপে খাবলৈ এৰি নিদি প্ৰধান অস্ত্ৰপাত ব্যৱহাৰ কৰিব লাগে নিৰ্বাচনৰ সময়ত। কোনো প্ৰলোভনে যাতে আমাক ভুলাব নোৱাৰে তাৰ বাবে প্ৰজাসকল সাৱধান হ'ব লাগে। দোষ আছে আমাৰ গাতো। কিয়নো নেতা সততেই হওক বা অসতেই হওক, তালৈ লক্ষ্য নকৰি কেইটামান পইচা বা উপঢৌকন পালেই তেওঁকেই মূল্যৱান ভোটটি দি ৰাজসভালৈ আদৰি নিওঁ। প্ৰকৃততে আমি সচেতন হ'ব লাগে সেই ভ্ৰষ্টাচাৰীসকলক এশিকনি দিবলৈ।

পৰাণ চন্দ্ৰ দাস, লেখক

ফোন ঃ ৯৮৫৪২৯৪০২০

# আকৌ 'কা' বিৰোধী আন্দোলনৰ হুংকাৰ

## অসমত খিলঞ্জীয়াৰ প্ৰভুত্ব ৰক্ষাৰ পথ কেনি?

সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী






**যোৱা** পাঁচ মে'ত উত্তৰ বংগৰ শিলিগুৰিত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে ক'ভিড শাম কটাৰ লগে লগে 'কা' বলৱৎ কৰা হ'ব বুলি কৰা এক ঘোষণাৰ পাছতেই আন্দোলনৰ বাবে সদা প্ৰস্তুত অসমৰ বৃত্তিধাৰী আন্দোলনকাৰী নেতাসকলে অসমত পুনৰ 'কা' বিৰোধী আন্দোলন আৰম্ভ কৰা হ'ব বুলি তৰ্জন-গৰ্জন, হুংকাৰ আদি আৰম্ভ কৰিছে। 'কা' মানে, 'চিটিজেন-ৰ (এমেণ্ডমেণ্ট) এক্ট'-ৰ তিনিটা শব্দৰ প্ৰথম আখৰ তিনিটা ক্ৰমে 'চি' 'এ' আৰু 'এ' ব্যৱহাৰ কৰি সংক্ষিপ্তকৈ গঠন কৰা এটা ইংৰাজী শব্দ। 'চিটিজেন এমেণ্ডমেণ্ট এক্ট'খনৰ অসমীয়া অনুবাদ হৈছে, 'নাগৰিকত্ব (সংশোধন) আইন।' 'কা'ৰ সলনি 'নাগৰিকত্ব (সংশোধন) আইন-ৰ 'তিনিটা শব্দৰ প্ৰথম আখৰ তিনিটা লগ লগাই 'নাসংআ' শব্দ ব্যৱহাৰ কৰা হ'লে শব্দটো বেছি শুৱনি আৰু শুৱলা হ'লহেঁতেন! তেনেদৰে 'চিটিজেন (এমেণ্ডমেণ্ট) বিল' খনৰ চি, এ আৰু বি আখৰেৰে গঠন কৰা 'কেব' শব্দৰ সলনি তাৰ অসমীয়া অনুবাদ 'নাগৰিকত্ব (সংশোধন) বিধেয়ক'-ৰ শব্দ তিনিটাৰ প্ৰথম আখৰকেইটাৰে গঠন কৰি 'নাসংবি' শব্দ ব্যৱহাৰ কৰিব পৰা গ'ল- হেঁতেন! অসমীয়া উগ্ৰ ভাষাপ্ৰেমীসকলে বিধেয়কখন আৰু আইনখন বুজাবলৈ ইংৰাজী শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিয় আপত্তি কৰা নাই সেই কথা বুজা নাযায়। অৱশ্যে আছু, আলফা, এবছু আদি শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰতো অসমীয়া উগ্ৰ ভাষাপ্ৰেমীসকলে কেতিয়াও আপত্তি তোলা নাই। যি হওক ছপা সংবাদ মাধ্যমে আন্দোলনৰ নেতাসকলে তৰ্জন-গৰ্জন কৰি পুনৰ 'কা'-বিৰোধী আন্দোলন কৰাৰ 'হুংকাৰ' দিয়া বুলিয়েই বাতৰি পৰিৱেশন কৰিছে। বৈদ্যুতিন মাধ্যমত নিজকে সৰ্বজ্ঞানীৰূপে প্ৰক্ষেপ কৰি নেতাসকলে কৰা তৰ্জন-গৰ্জন, হুংকাৰ আদি শ্ৰোতা-দৰ্শকে নিজ চকুৰে দেখিছে আৰু শুনিছে। মই অৱশ্যে তেওঁলোকৰ আস্ফালন, তৰ্জন-গৰ্জন, হুংকাৰ আদি নিজ চকু আৰু কাণেৰে দেখা আৰু শুনা নাই। বৈদ্যুতিন মাধ্যমে, বিশেষকৈ অসমীয়া 'চেনেল'সমূহে পৰিৱেশন কৰা বাতৰি আৰু 'টক শ্ব'সমূহ অতি দৃষ্টিকটু, শ্ৰুতিকটু আৰু বিৰক্তিকৰ হয় কাৰণে মই সেইবোৰ চোৱা কাহানিবাই বন্ধ কৰিছো।

যি হওক আন্দোলনকাৰী নেতাসকলে কৰা তৰ্জন-গৰ্জন, হুংকাৰ আদিৰ প্ৰতি গৃহমন্ত্ৰীয়ে তিলমানো ভ্ৰূক্ষেপ কৰাৰ আশা নাই। তিনি বছৰৰো অধিক কাল ধৰি চৰম অৰাজকতা, অস্থিৰতা আৰু অশান্তিৰ সৃষ্টি কৰি অসমত কৰা 'কেব'- বিৰোধী আৰু 'কা'- বিৰোধী আন্দোলনৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে তিলমানো গুৰুত্ব প্ৰদান কৰা নাছিল। হেজাৰ প্ৰতিবাদক নেওচি লোক-সভাই গ্ৰহণ কৰা বিধেয়ক এখন ৰাজ্যসভাত দাখিল নকৰাৰ বাবে এবাৰ লেপছ (lapse) হোৱাৰ পাছত পুনৰ লোকসভা আৰু ৰাজ্যসভালৈ নি প্ৰণয়ন কৰা আইন এখন বাতিল কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ যে সন্মত নহয় সেই কথা এজন সাধাৰণ মস্তিষ্কৰ মানুহেও বুজি পায়।

'দৈনিক অগ্ৰদূত'ৰ ন মে' সংখ্যাত প্ৰকাশিত 'শিৰোনামত আকৌ 'কা' শীৰ্ষক প্ৰবন্ধত কাকতখনৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই লিখিছে— 'এই দল- সংগঠনসমূহৰ এনে তথাকথিত হুংকাৰ যে ৰাইজৰ চকুত ধূলি দিয়াৰ অপচেষ্টাৰ বাহিৰে আন একো নহয় তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। সংসদত বিপুল ভোটত গৃহীত হোৱা আইনখন কাৰ্যকৰীকৰণৰ পৰা চৰকাৰক এই সংগঠনসমূহে কেনেদৰে বিৰত ৰাখিব? 'ডেকাৰ এই মতামতত গৰিষ্ঠ সংখ্যক অসমবাসীৰ মতামতৰ প্ৰতিফলন ঘটিছে। গতিকে হেজাৰ হুংকাৰ আৰু আন্দোলনে যে আইনখন কাৰ্যকৰী কৰাৰ পৰা চৰকাৰখনক বিৰত কৰিব নোৱাৰে, অথবা আইনখন বাতিল কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক সন্মত বা বাধ্য কৰাব নোৱাৰে সেই কথা এতিয়া সকলোৰে বাবে জ্ঞাত হৈ পৰিছে। উৰ্বৰ মস্তিষ্কৰ আন্দোলনৰ নেতাসকলেও কথাটো ঠিকেই বুজিছে; কিন্তু তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে কথাটো বুজিও নুবুজাৰ ভাও ধৰি তেওঁলোকে পুনৰ আন্দোলন কৰাৰ হুংকাৰ দিছে।

হুংকাৰ দিয়া দল-সংগঠনৰ ভিতৰত আছে— সদৌ অসম ছাত্ৰ সন্থা 'আছু', উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠন 'নেছ' ৰাইজৰ দল, কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ইত্যাদি।

আছুৱে পুনৰ দোহাৰিছে যে অসমত অসমীয়া আৰু খিলঞ্জীয়া মানুহৰ প্ৰভুত্ব থাকিবই লাগিব। শীৰ্ষ আমোলা আৰু আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ অধিকাংশই অনা-অসমীয়া আৰু অনা-খিলঞ্জীয়া লোক। অসমৰ মূল ব্যৱসায়ৰ সৰহ ভাগেই অনা-অসমীয়াৰ হাতত। পুৱা উঠিয়েই হাতত লোৱা টুথ ব্ৰাছ আৰু পেষ্টৰ পৰা আৰম্ভ কৰি ৰাতি তৰা আঁঠুৱাখনলৈ, চাউল-দালি, আলু-পিয়াঁজ, কাপোৰ-কানি আদি দৈনন্দিন আমাক লগা সকলো বস্তু বাহিৰৰ পৰা আহে আৰু সেইবোৰৰ সৰহভাগৰে যোগান ধৰে অনা-অসমীয়াই। এনে অৱস্থাত আমাৰ প্ৰভুত্ব স্থাপন হ'ব কেনেকৈ? ডাবি-ধমকিৰে?

উল্লিখিত প্ৰবন্ধটোত প্ৰাঞ্জলসেন ডেকাই লগতে লিখিছে— 'চুবুৰীয়া আফগানিস্থান, পাকিস্তান, বাংলাদেশ আৰু নেপালৰ পৰা ধৰ্মীয় আতিশয্যৰ বলি হৈ ভাৰতত প্ৰৱেশ কৰা হিন্দু, বৌদ্ধ, খ্ৰীষ্টান, শিখ, জৈন আদি অমুছলমান লোকক নাগৰিকত্ব প্ৰদানৰ উদ্দেশ্যৰে এই আইনৰ সংশোধন কৰা হয়। লক্ষ্যণীয় যে পৃথিৱীৰ যি কোনো প্ৰান্তত আতিশয্যৰ বলি হোৱা হিন্দু ধৰ্মৰ লোকক ভাৰতত সসন্মানে আশ্ৰয় প্ৰদান নিশ্চিত কৰাটো বিজেপিৰ অন্যতম মূল নীতি। দল গঠনৰ সময়ৰ পৰাই বিজেপিয়ে এই নীতি ঘোষণা কৰি আহিছে।' এই দুটা গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আন্দোলনৰ নেতাসকলে তেওঁলোকৰ মতামত কোনোদিনে ব্যক্ত কৰা নাই।

এখন ৰাজ্যৰ স্থানীয় নেতাই কেন্দ্ৰীয় চৰকাৰে বহল ভিত্তিত ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা এটা সিদ্ধান্তৰ প্ৰেক্ষাপট যথাযথ বিচাৰ নকৰাকৈ কেৱল স্থানীয় স্বাৰ্থসিদ্ধিৰ বাবে কেন্দ্ৰীয় সিদ্ধান্তৰ বিৰোধ কৰাটো উচিত হোৱা নাই। কেন্দ্ৰীয় সিদ্ধান্তৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি গৃহীত আইনৰ বলৱতে আমাৰ জাতীয় স্বাৰ্থত যাতে কু-প্ৰভাৱ নেপেলায়, তাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী উত্থাপন কৰা হ'লে কেন্দ্ৰীয় চৰকাৰ হয়তো অসমীয়াৰ প্ৰতি সদয় হ'লহেঁতেন। উদাহৰণস্বৰূপে 'ইনাৰ লাইন পাৰ্মিট'-ৰ ব্যৱস্থা থকা ৰাজ্যসমূহক আইনখনৰ আওতাৰ পৰা বাহিৰত ৰখাৰ কথাটো উল্লেখ কৰিব পাৰি। তেনেদৰে অসমৰ ক্ষেত্ৰতো সংশোধিত আইনখনৰ বলৱতৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা চিন্তা কৰিব পৰা গ'লহেঁতেন। যিহেতু আন্দোলনকাৰীৰ মতে ১৯৭১ৰ পাছত অহা বাংলাদেশীৰ বোজা অসমে কেতিয়াও নলয়, গতিকে অসমত বসবাস কৰা হিন্দু বাংলাদেশীসকলক নাগৰিকত্ব প্ৰদানৰ পাছত আন ৰাজ্যত সংস্থাপিত কৰাৰ বাবে দাবী উত্থাপন কৰিলেও তাত যুক্তিযুক্ততা বিচাৰি পোৱা গ'লহেঁতেন।

প্ৰাঞ্জলসেন ডেকাই আৰু লিখিছে— 'লক্ষ্যণীয়ভাৱে 'কা' বলৱৎ কৰা হ'ব বুলি স্পষ্টভাৱে ঘোষণা কৰাৰ পাছতো অসমত লোক সভা আৰু শেহতীয়া বিধানসভাৰ নিৰ্বাচনতো বিজেপিয়ে বিপুল জয়লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়া আটাইবোৰ নিৰ্বাচনতে বিজেপিয়ে এইদৰে ব্যাপক জনসমৰ্থন লাভ কৰি প্ৰমাণ কৰি দিছে যে অসমত 'কা' কোনো ইছ্যু হৈ থকা নাই। তাৰ পাছতো মুষ্টিমেয় দল-সংগঠনে ইয়াৰ বিৰোধিতা কৰি 'হুংকাৰ' দিয়াৰ অৰ্থ বুজিবলৈ টান নহয়। নিজৰ অস্তিত্ব ৰক্ষাৰ সুযোগ ল'বলৈকে যে এনেদৰে তৎপৰ হৈ বিবৃতি দিছে, সেই কথা কোনেও নুবুজাকৈ থকা নাই। নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰোধিতাৰ সময়ত এই দল-সংগঠন সমূহে মিথ্যাচাৰেৰে ৰাইজক আভুৱা ভাঁৰিবলৈ বিভিন্ন অশুদ্ধ তথা অসত্য তথ্য প্ৰচাৰ কৰিছিল; কিন্তু সেইবোৰত যে অসমৰ ৰাইজ পতিয়ন নগৈ বিজেপিকেই অধিক সমৰ্থন দিলে সেয়া নিৰ্বাচনৰ ফলাফলে স্পষ্ট কৰি দিলে। গতিকে চাবলৈ গ'লে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে যথাসম্ভৱ শীঘ্ৰে 'কা' বলৱৎ কৰাটো অৱধাৰিত। অসমৰ মুষ্টিমেয় দল-সংগঠনৰ এনে বিবৃতিলৈ গুৰুত্ব দি কেন্দ্ৰীয় চৰকাৰে 'কা' বাতিল কৰিব বুলি ভবাটো তেনেই অবান্তৰ।'

তথাপি বৃত্তিধাৰী আন্দোলনকাৰীয়ে যিকোনো অজুহাততেই আন্দোলন কৰিবই; কিন্তু একেটা বিষয়ৰ ওপৰত কৰা আন্দোলন বিভিন্ন সংগঠনে পৃথকে পৃথকে কিয় কৰে? কাৰণ ভৱিষ্যত ৰাজনৈতিক অভিলাষ পূৰণ কৰাৰ বাবে তেওঁলোকক ৰাজহুৱা প্ৰক্ষেপ লাগে, সংবাদ মাধ্যমৰ বাতৰি আৰু 'টক শ্ব'-ত তেওঁলোক কেন্দ্ৰবিন্দু হৈ থাকিবলৈ লাগে। স্মৰণীয় যে 'কেব' আৰু 'কা' বিৰোধী আন্দোলন তিনিটা সমান্তৰাল পথেৰে আগ বাঢ়িছিল। এটা চলিছিল ড° হীৰেন গোহাঁইৰ নেতৃত্বত, আন এটা চলিছিল ২৯টা ছাত্ৰ সংগঠনৰে স'তে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু তৃতীয়টো আছিল ৬৯টা সংগঠনৰে স'তে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বত। প্ৰায় এশটা আন্দোলকাৰী সংগঠন। ডেৰ কোটি অসমীয়াৰ বাবে এশটা সংগঠনৰ প্ৰয়োজন আছে নে? কিয় তেওঁলোকে একেখন মঞ্চৰ বেনাৰত আন্দোলন কৰিব নোৱাৰিছিল? আছুৱে বাৰু কৃষক মুক্তিৰ নেতৃত্ব গ্ৰহণ নকৰে আৰু কৃষক মুক্তিয়ে আছুৰ

■■■■

> আছুৱে পুনৰ দোহাৰিছে যে অসমত অসমীয়া আৰু খিলঞ্জীয়া মানুহৰ প্ৰভুত্ব থাকিবই লাগিব। শীৰ্ষ আমোলা আৰু আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ অধিকাংশই অনা-অসমীয়া আৰু অনা-খিলঞ্জীয়া লোক। অসমৰ মূল ব্যৱসায়ৰ সৰহ ভাগেই অনা-অসমীয়াৰ হাতত। পুৱা উঠিয়েই হাতত লোৱা টুথ ব্ৰাছ আৰু পেষ্টৰ পৰা আৰম্ভ কৰি ৰাতি তৰা আঁঠুৱাখনলৈ, চাউল-দালি, আলু-পিয়াঁজ, কাপোৰ-কানি আদি দৈনন্দিন আমাক লগা সকলো বস্তু বাহিৰৰ পৰা আহে আৰু সেইবোৰৰ সৰহভাগৰে যোগান ধৰে অনা-অসমীয়াই। এনে অৱস্থাত আমাৰ প্ৰভুত্ব স্থাপন হ'ব কেনেকৈ?

■■■■

নেতৃত্ব গ্ৰহণ নকৰে; কিন্তু এই দুটা সংগঠনেতো ড° হীৰেন গোহাঁইৰ নেতৃত্ব গ্ৰহণ কৰিব পাৰিলেহেঁতেন; কিন্তু তেওঁলোকে নকৰিলে। কাৰণ তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ ৰাজহুৱা তথা জাতিৰ স্বাৰ্থতকৈ অধিক অগ্ৰাধিকাৰৰ বিষয়।

মুঠৰ ওপৰত সকলোকে যে ৰাজনৈতিক ক্ষমতা লাগে, সকলো সংগঠনৰে শীৰ্ষ নেতাক, যে মুখ্যমন্ত্ৰী হ'বলৈ লাগে অথবা বিশেষ স্বাৰ্থ পূৰণ কৰিবলৈ লাগে সেই কথা এতিয়া অধিকাংশ ৰাইজৰ চকুত স্পষ্টভাৱে ধৰা দিছে। 'কেব' আৰু 'কা' আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ কৃপাত কিছু জনপ্ৰিয়তা অৰ্জন কৰা কিন্তু নিজে প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰা বুলি ভবা তিনিগৰাকী নেতাই বিজেপিক পৰাজয় কৰাৰ লক্ষ্যৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ আগে আগে তিনিটা আঞ্চলিক দল খোলা নাছিল নে? ইমানেই যদি তেওঁলোকৰ বিজেপিক প্ৰতিহত কৰাৰ বাসনা আছিল তেন্তে তেওঁলোকে সেই লক্ষ্য পূৰণৰ বাবে একেলগ হৈ এটা আঞ্চলিক দল নুখুলিলে কেলেই? কাৰণ প্ৰতিজন নেতাকে মুখ্যমন্ত্ৰিত্ব লাগে; প্ৰতিটো দলকে এককভাৱে চৰকাৰ গঠন কৰিব লাগে।

কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে পুনৰ দোহাৰিছে যে কেন্দ্ৰৰ বিজেপি চৰকাৰে নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে এক কোটি ৯০ লাখ হিন্দু বাংলাদেশীক অসমত জাপি দিবলৈ বিচাৰিছে। কি এটা গোকাট মিছা কথা! আইনখনৰ জৰিয়তে ২০১৪লৈ অহা বাংলাদেশীকহে নাগৰিকত্ব প্ৰদান কৰিব খোজা হৈছে। নতুনকৈ এক কোটি ৯০ লাখ হিন্দু বাংলাদেশী অহাৰ প্ৰশ্ন উঠিল ক'ৰ পৰা?

অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে কেন্দ্ৰীয় চৰকাৰক সাহস থাকিলে 'কা'-ৰ সন্দৰ্ভত দেশত গণভোট লৈ দেখুওৱাৰ কথা কৈছে। তাৰ আগতে অসমৰ কিমান মানুহে এতিয়া 'কা' বিৰোধী আন্দোলন বিচাৰে বা সমৰ্থন কৰে সেই বিষয়ে অসমতে এটা গণভোট লোৱাৰ ব্যৱস্থা কৰক। আন্দোলনৰ নেতাসকলে কৈছে, কোনো অসমীয়া আৰু আন খিলঞ্জীয়াই 'কা' নিবিচাৰে; সকলোৱে 'কা'-ৰ বিৰোধিতা কৰে। মিছা কথা, কেৱল আছু, কৃষক মুক্তি সংগ্ৰাম সমিতি আদি মুষ্টিমেয় সংগঠনৰ অন্ধ সমৰ্থকেহে 'কা'-ৰ বিৰোধিতা কৰে। 'কা' বিৰোধী আন্দোলনত অংশগ্ৰহণ কৰা এনে অনেক আন্দোলনকাৰীয়ে 'কা'-নো কি, কিয়নো তাৰ বিৰোধিতা কৰা হৈছে আদি কথাবোৰ নাজানেই।

আছু আৰু নেছ'ই 'কা' বাতিল কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ ওচৰত আবেদন জনাই আইনী যুঁজো অব্যাহত ৰাখিছে। উচ্চতম ন্যায়ালয়ত আইনী যুঁজ এখন চলি থাকোতে ৰাজ্যখন অস্থিৰ কৰি তোলা আন্দোলনৰ কি প্ৰয়োজন?

আমি মন নকৰা বা মানিবলৈ নোখোজা এটা কথা হৈছে আইনখন বলৱৎ নকৰিলেও বৰ্তমানে অসমত বসবাস কৰি থকা হিন্দু বাংলাদেশীসকলক কোনেও অসমৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰে। অসম চুক্তি ৰূপায়ণৰ তাৰিখৰ পৰা এতিয়ালৈকে অসমৰ পৰা বাংলাদেশী বিতাড়নৰ ৩৪ বছৰীয়া ইতিহাস আৰু তথ্য চালেই সেই কথা হৃদয়ংগম কৰিব পৰা যাব। গতিকে দফাই দফাই অসম চুক্তি ৰূপায়ণ, 'কা' বাতিল আদি অবাস্তৱ দাবীত আন্দোলন কৰি অসমীয়া মানুহে সময়, শক্তি আৰু অৰ্থৰ অপচয় কৰাৰ কোনো প্ৰয়োজন নাই।

ফোন ঃ ৮১৩৫৮৪৮৬২৩

# কৰ্মই উপাসনা ঃ হাঁহিয়েই জীৱন

## হাঁহি আৰু কান্দোনৰ অপূৰ্ব মিলনৰ মাজতে জীৱনে গতি লয়

অৱলোকন

চাইৰা ইছলাম বড়া



**কৰ্মকে** জীৱনৰ ধৰ্ম হিচাপে জ্ঞান কৰি সংগ্ৰামৰ মাজেদি হাঁহিৰে ভৱিষ্যতৰ বাট বোলাজন প্ৰকৃত অৰ্থত এজন সুখী ব্যক্তি। আজিৰ বস্তুবাদী সমাজখনত সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিবলৈ অজস্ৰ ধন সম্পত্তিৰ গৰাকী হ'বলৈ মন মেলাৰ বিপৰীতে এটি পৱিত্ৰ মনৰ অধিকাৰী হৈ জীৱনটো হাঁহিৰে সাৰুৱা কৰি তুলিব পৰা অস্ত্ৰপাত নিজৰ হাততেই আছে। নিৰোগী মন এটাক কোনো কলুষতাই গ্ৰাস কৰিব নোৱাৰে। ঔষধ সেৱন কৰি সুস্বাস্থ্য অটুট ৰখাৰ পৰিৱৰ্তে হাঁহিকেই জীৱনৰ সাৰথি কৰি লোৱা প্ৰয়াসৰ কিছু হ'লেও মূল্য আছে, কিয়নো হাঁহিয়েই হৈছে জীৱনৰ মহৌষধ। সদাব্যস্ত জীৱনত প্ৰফুল্ল মন এটাৰে মুখত এটি নিৰ্মল হাঁহি লৈ পুৱাটো আৰম্ভ কৰাৰ আনন্দই সুকীয়া, দিনটোলৈ দেহ-মন সজীৱ হৈ উঠে। মন পুৰ্ণতাৰে ভৰি থাকিলে চিন্তা শক্তিও ইতিবাচক হয়। আমি কোনেও নাজানো জীৱনৰ শেষ কেতিয়া হ'ব, সেয়ে উশাহ থকালৈকে হাঁহিমুখে সময়বোৰ পৰিপূৰ্ণ কৰি তোলাৰ প্ৰয়াস কৰিব লাগে। হাঁহিয়েই একমাত্ৰ ঔষধ, যি আমাক দৈনন্দিন মানসিক চাপ আৰু অৱসাদৰ পৰা মুক্ত কৰি ৰাখে। মানৱ জীৱনটো এখন আইনাৰ দৰে, যিহেতু আমাৰ প্ৰতিবিম্ব আমি এখন আইনাৰ জৰিয়তেহে প্ৰত্যক্ষ কৰাৰ সুবিধা লাভ কৰোঁ, সেয়ে আমি হাঁহিলেহে জীৱনেও হাঁহিব। হাঁহি আৰু কান্দোনৰ অপূৰ্ব মিলনৰ মাজতে জীৱনে গতি লয়। সুখ-দুখ, হাঁহি-কান্দোনৰ দৰে মনুষ্যত্বৰ সহজাত প্ৰবৃত্তিবোৰৰ পৰা কোনোৱেই মুক্ত নহয়। দুখন হৃদয়ৰ গোপন প্ৰেমৰ আৰম্ভণিও কোনোবা ৰূপহীৰ লাজুকী হাঁহিৰ আঁৰৰ সজল চাৱনিত পৰিস্ফুট হয়। হৃদয় জিনিবলৈ হাঁহিয়েই এবিধ শক্তিশালী অস্ত্ৰ। স্বাভাৱিকতেই হাঁহিমুখীয়া খোলা মনৰ মানুহৰ সুখৰ অভাৱ নাই। সেইসকল লোকে জীৱনৰ প্ৰত্যাহ্বান সমূহ হাঁহিমুখে গ্ৰহণ কৰাৰ প্ৰয়াস কৰে বাবেই সহজতে লক্ষ্য প্ৰাপ্তিত উপনীত হয়। দুখ-সুখ একেটা মুদ্ৰাৰ দুটা পিঠি। দুখ আছে বাবেই সুখৰ অনুভৱৰ ব্যতিক্ৰমী মাদকতা আছে। যিমানেই দুৰ্যোগৰ দিন নাহক, হাঁহি মুখেৰে বিপৰ্যয়ৰ সন্মুখীন হৈ সকলো সমস্যাৰ সহজতে সমাধান কৰিব পাৰি। শত সহস্ৰ বেদনাৰ মাজতো হাঁহিৰে দুখক প্ৰত্যাহ্বান জনাব পৰাজনহে প্ৰকৃত অৰ্থত এজন শক্তিশালী মনৰ সবল ব্যক্তি। খোলা অন্তৰৰ লোকসকলৰ মুখত সদায়েই এটা সন্তুষ্টিৰ হাঁহি বিয়পি থকাৰ বিপৰীতে অসহিষ্ণু স্বভাৱৰ লোকসকলৰ মুখমণ্ডলত হতাশাই ঘেৰি ৰাখে। কোনো ধৰণৰ কামতে সহজে সন্তুষ্টি লভিব নোৱাৰা এইসকল লোকে নিজৰ লগতে আনৰ জীৱনো দুৰ্বিসহ কৰি তোলে। বৰ্তমান অধিক কামৰ বোজাত চৌদিশে হতাশাগ্ৰস্ততাৰ মাজত মানুহৰ মুখৰ হাঁহিবোৰো যেন হেৰাই গৈছে। বস্তুবাদী জীৱনৰ ধামখুমীয়াত পৰি হাঁহিও এটা সময়ত হয়তো জীৱন দায়িনী আপুৰুগীয়া ঔষধৰ দৰেই ব্যৱহৃত হ'বলৈ গৈ আছে। দৈনন্দিন জীৱনক চিন্তা মুক্ত কৰি ৰাখিবৰ বাবেও হাঁহিৰ মহিমা অপাৰ। ধনৰ দুখীয়া হ'লেও মনৰ দুখীয়া নহৈ মৌপিয়া আতুৰ প্ৰাণবোৰে জীৱনক হাঁহিমুখে গ্ৰহণ কৰিব পাৰিলে মৰহিব ধৰা সময়বোৰ পুনৰ ঠন ধৰি সেউজীয়া হৈ উঠিব।

উত্থান-পতনৰ মাজতে জীৱনে গতি লয়। অনাকাংক্ষিত দিনৰ বহু তিক্ত অভিজ্ঞতাৰে ভৰপুৰ বেদনাৰ গধুৰ বোজাবোৰ একমাত্ৰ হাঁহিৰ জৰিয়তে কিছু হ'লেও লাঘৱ কৰিব পাৰি। ক'বলৈ গ'লে হাঁহিয়েই আমাক জীৱনৰ ভয়, শংকা-দুখ বেজাৰ আদিৰ পৰা মুক্ত কৰি ৰাখে। হৃদয়ৰ পৱিত্ৰতাৰ লগতে হাঁহিমুখে কৰা কামবোৰে ভাগৰুৱা মনক উৎসাহ দিয়ে। ইতিবাচক মনৰ ব্যক্তিয়ে আত্মবিশ্বাসৰ মাজেদি কঠিন কামকো সহজ কৰি তুলিব পাৰে। ভাৰাক্ৰান্ত জীৱনৰ দুশ্চিন্তাবোৰ চকুৰ পানীৰে নহয় হাঁহিৰে ধুঁৱাই নিকা কৰিবলৈ চেষ্টা কৰাটোহে জ্ঞানী লোকৰ কাম। হাঁহিমুখীয়া ব্যক্তিসকল সহজতে জটিল সমস্যাত নপৰে এইবাবেই যে মুখৰ দৰে তেওঁলোকৰ মনটোও ৰঙীয়াল আৰু নিকা। নিজৰ ধৈৰ্যশীল স্বভাৱৰ বাবেই ভৱিষ্যতে সন্মুখীন হ'ব পৰা যিকোনো জটিল সমস্যাৰ পৰা পৰাপক্ষত তেওঁলোক মুক্ত হৈ থাকে। বহুলোকে আঁকোৰগোঁজ স্বভাৱৰ বাবে নলগা জেওঁত লাগি অশুভ সময়ত নিজৰেই কষ্টৰ কাৰণ হৈ পৰে। এজন ৰঙীয়াল লোকৰ সান্নিধ্যত আমনিদায়ক সময়বোৰো এক বিমল সুখানুভূতিৰে উপচি পৰে।

ব্যস্ততাৰ ধামখুমীয়াত পৰি পৰিস্থিতি এতিয়া এনে পৰ্যায়লৈ গতি কৰিবলৈ লৈছে যে ভাৰাক্ৰান্ত মনবোৰক কিছু সকাহ দি সুস্বাস্থ্য অটুট ৰাখিবলৈ ঠাই বিশেষে লাফিং থেৰাপী চেণ্টাৰ কিছুমান স্থাপন কৰা হৈছে। একঘেয়ামী আমনিদায়ক জীৱনৰ পৰা কিছু ক্ষণ আনন্দমুখৰ ৰসাল পৰিৱেশত অতিবাহিত কৰিবলৈ বহুজনে এই লাফিং ক্লাবসমূহৰ আশ্ৰয় লয়। সমগ্ৰ বিশ্বতে এটা বিশেষ দিন বিশ্ব হাঁহিৰ দিন হিচাপেও পালন কৰা প্ৰথা প্ৰচলিত হৈ আহিছে। তথ্যমতে ইংৰাজী মে' মাহৰ প্ৰথমটো দেওবাৰে বিশ্ব হাঁহি দিৱস হিচাপে পালন কৰা হয়। লাফিং থেৰাপিৰ ক্লাবসমূহত স্বাস্থ্যৰ যতন লোৱাৰ উপৰি মনক প্ৰশান্তি দিয়া ভাল লগা গান- বাজনাৰ লগতে ৰসাল কথাৰে মন-প্ৰাণ উজ্জীৱিত কৰি ৰখাৰ প্ৰয়াস কৰা হয়। আনক হুঁহুৱাব পৰাটোও বৰ সহজসাধ্য কাম নহয়, বহুতৰ বাবে এইটোও এটা বিশেষ কলা। বহুলোকে মঞ্চ অভিনয়ৰ জৰিয়তেও কৌতুক ধৰ্মী অনুষ্ঠান প্ৰদৰ্শন কৰি যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এনেবোৰ হাস্যৰসৰ অনুষ্ঠান উপভোগ কৰিও কিছু সময় অন্ততঃ হাঁহিৰে জীপাল কৰি তুলিব পাৰি। আনক হুঁহুৱাব পৰা সকলৰ সমস্যাবহুল জীৱনো হাঁহি ফূৰ্তিৰ মাজেৰে উপচি পৰে। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত আজিৰ জনসাধাৰণ ইমানেই অকলশৰীয়া হৈ পৰিছে যে বহুলোকে মনৰ দুখ পাতলাবলৈও ম'বাইলৰ জৰিয়তে হাঁহিৰ খোৰাক যোগান ধৰা কমেডি ভিডিঅ'বোৰ প্ৰত্যক্ষ কৰি সান্ত্বনা লভাৰ প্ৰয়াস কৰে।

মানুহ এজনৰ ব্যক্তিত্বৰ স'তে হাঁহিৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। চিনাকিৰ প্ৰথম দৰ্শনতে নতুবা বিপৰীত পক্ষক সম্ভাষণ জনোৱাৰ ক্ষেত্ৰত মুখৰ মিচিকিয়া হাঁহিটোৱে বিশেষকৈ প্ৰাধান্য পায়। ব্যৱসায়ত জড়িত লোকসকলৰ বাবে গ্ৰাহকক আকৃষ্ট কৰিবলৈ বিনয়ী স্বভাৱৰ লগতে মুখৰ হাঁহিটোৰ বিশেষ তাৎপৰ্য আছে। হাঁহিব নজনা মানুহক চয়তানৰ লগত তুলনা কৰা হয়। কোনোবা খেয়ালি কবিৰ ৰোমাণ্টিক কবিতাত নতুবা গীতিকাৰৰ গীতৰ কলিত প্ৰিয়তমা ৰূপহীৰ মন ভুলোৱা মিচিকিয়া হাঁহিটিক কেন্দ্ৰ কৰি সৃষ্টিৰ বন্যা বয়। এটি অতি জনপ্ৰিয় গীতত উল্লেখ কৰাৰ দৰে---- "হাঁহিলে তুমি মুকুতা মণি সৰে! দুচকু ভৰিলেও মন নভৰে'---হয় বহুজনৰ বাবে প্ৰিয়তমাৰ মন ভুলোৱা 'হাঁহিটোৱে জীৱন বাটৰ আন্ধাৰ আঁতৰাই পোহৰে উদ্ভাসিত কৰি তুলিব পাৰে। হিয়াৰ আপোনজনৰ হাঁহিৰ আঁৰত অদ্ভুত প্ৰেৰণাৰ উৎস নিহিত হৈ থাকে। অতীজৰে পৰাই হাঁহিৰ আঁৰত নিহিত হৈ থকা অপৰূপ সৌন্দৰ্য বিখ্যাত লোকসকলৰ সৃষ্টিৰ সমলৰূপে পৰিগণিত হৈ আহিছে। আজিৰ পৰা বহু বছৰৰ পূৰ্বেই বিশ্ব বিখ্যাত পেইণ্টাৰ লিওনাৰ্দ দা ভিন্সিৰ হাতৰ পৰশত প্ৰাণ পাই উঠা ৰসহ্যময়ী নাৰী মনালিছাৰ হাঁহিয়ে পৃথিৱীত আজিও খলকনি তুলি আছে। বিশ্ববিখ্যাত পেইটিংখনত উদ্ভাসিত হৈ উঠা মনালিছাৰ ৰহস্য ঘন হাঁহিৰ আঁৰৰ গূঢ়াৰ্থ উদ্‌ঘাটন কৰিবলৈ প্ৰকৃত অৰ্থত আজিও কোনো সক্ষম নহ'ল।

উল্লেখযোগ্য যে আজি-কালি ক্ষেত্ৰ বিশেষে বিপৰীত পক্ষক নিচাত্মক দেখুৱাবলৈ ইতিকিং সূচক বাক্য-বাণৰ লগতে বিদ্ৰূপৰ হাঁহিও এচাম বিকৃত ৰুচিৰ মানুহৰ মুখত বেছিকৈ প্ৰাধান্য পাই আহিছে। আটাইতকৈ মাৰাত্মক হাঁহিবিধেই হ'ল বিদ্ৰুপৰ হাঁহি। এই হাঁহিবিধ প্ৰকৃত অৰ্থত বিপৰীত পক্ষৰ বাবে এৰি দিয়া বিষাক্ত শেলৰ দৰে। আসুৰিক তৃপ্তি পূৰাবলৈ ছেগবুজি দুষ্টলোকে বিদ্ৰুপৰ হাঁহিৰে থকা-সৰকা কৰে।

বৰ্তমান সময়ত যুৱপ্ৰজন্মৰ মাজত সততেই পৰিলক্ষিত হয় হতাশ গ্ৰস্ততাৰ পৰা মুক্তি পাবলৈ ডিপ্ৰেছনৰ ঔষধ সেৱন কৰা, এই ঔষধসমূহৰ পাৰ্শ্বক্ৰিয়াই দেহ-মনৰ যথেষ্ট পৰিমাণে ক্ষতি সাধনহে কৰে। ঔষধৰ দ্বাৰা সাময়িক- ভাৱে হতাশা মুক্ত হোৱাতকৈ কিছু ত্যাগৰ বিনিময়ত আনন্দ-স্ফূৰ্তিৰ মাজত হাঁহিৰে জীৱনটো উদ্‌যাপন কৰাতহে আগ্ৰহী হোৱা উচিত। হাঁহি মানৱ জীৱনৰ এনে এবিধ ঔষধ যাৰ কোনো পাৰ্শ্বক্ৰিয়া নাই। আমি ব্যক্তিগতভাৱে নিজকে যিমান জানো আন কোনোৱে বুজিব নোৱাৰে। কেতিয়াবা নিজৰ ওপৰতে হাঁহি উঠে, যেতিয়া অতি বিশ্বাসীজনেও আমাৰ বিষয়ে বেছি জনা দেখুৱাই ইতিকিং সূচকভাৱে কৰা মন্তব্যবোৰ উৰি আহি কাণত পৰেহি। পৰৰ পতনৰ দিনত চকু চৰহাসকলে বিদ্ৰুপৰ হাঁহি মৰাতকৈ নিজৰ জীৱন বাটৰ আঁৰত নিহিত হৈ থকা কান্দোনৰ উৎসবোৰ সন্ধান কৰাত বেছি মনোযোগ দিলেহে উপকৃত হ'ব। কুৎসিৎ মন এটাৰ ভিতৰত ঈৰ্ষাপৰায়ণ, কপটতা স্বভাৱ পৰিহাৰ কৰি কেৱল মাত্ৰ মৰম-শ্ৰদ্ধাবোৰৰ ভাগ-বাটোৱাৰা কৰিব জানিলে জীৱন হাঁহিৰে উপচি পৰিব। ইংৰাজীত এষাৰ কথা আছে— Do what makes you 'happy' be with those who make you 'smile'— যিহেতু জীৱনত সন্মুখীন হোৱা কষ্টবোৰ হৈছে Part of life. দুখৰ মাজতো হাঁহি থাকিব পৰাটো হৈছে art of life. সেয়ে চকুৰ লোতকেৰে নহয় বেদনাৰ আঁৰৰ হাঁহিৰেও জীৱন জিনিবলৈ প্ৰয়াস কৰাত নিশ্চয় আপত্তি থাকিব নোৱাৰে।



ফোন ঃ ৯১০১৫১৭৮৪৭

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১২ মে' বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

# নেতাৰ সৰুধেমালি-বৰধেমালি আৰু নাগৰিকৰ নিষ্প্ৰাণ-ভাওনা



অৱলোকন

**ৰামচন্দ্ৰ চুতীয়া**



**অসমীয়াক** সৰুধেমালি আৰু বৰধেমালি কিতাক বুজাই ক'ব নালাগে। তথাপি কওঁ, 'সৰুধেমালি হ'ল ভাওনা আৰম্ভ হোৱাৰ আগতে খোল, মৃদং আদিৰে কৰা গায়ন-বায়নৰ এটা ভাগ' আৰু ঠিক সেইদৰে 'বৰধেমালি হ'ল ভাওনাৰ আৰম্ভণিতে বজোৱা গায়ন-বায়নৰ বাজনা'ৰ আন এটা ভাগ। দেশে স্বাধীনতা লাভ কৰাৰ পাছত দেশখনৰ ক্ষমতা নিজৰ মানুহৰ হাতলৈ আহিল, দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ল। গণতান্ত্ৰিকভাৱে আমি নিজৰ নেতা নিৰ্বাচন কৰি চৰকাৰ গঠন কৰি লওঁ, এনে ব্যৱস্থাই পৰোক্ষভাৱে দেশখন ৰাইজে চলোৱাটোকে প্ৰতিপন্ন কৰে। এই ব্যৱস্থাটোত দেশবাসীয়ে আৰম্ভণিৰে পৰা পূৰ্ণ সহযোগ কৰি আহিছে আৰু সেয়েহে দেশখনে অতি সাৰ্থকভাৱে ক্ষমতাৰ সৎপ্ৰয়োগ কৰি দেশখন ক্ৰমন্বয়ে আগলৈ নি নি আজি বিশ্বতে এখন শক্তিশালী দেশৰূপে গঢ়ি তুলিব পাৰিছে। বহুতে ভবাৰ দৰে, এইখন দেশ কোনো এটা দলে মাত্ৰ কেইটামান বছৰতে গঢ়ি তোলা নাই। কোনোবাই সেই দৃষ্টিকোণৰ পৰা ভাবিলে তেনে কথা বৰ শুদ্ধ হ'ব বুলি আমি নাভাবো। দেশ নিৰ্মাণ কৰাটো কোনো সৰু কাম নহয়। যি মানুহ দূৰদৰ্শী আৰু বিশাল জ্ঞানৰ অধিকাৰী, তেওঁহে দেশ গঢ়াত নাগৰিক আৰু সতীৰ্থক লগত লৈ সঠিক পথত আগবাঢ়িব পাৰে। সহযোগ আৰু উৎসাহ-উদ্দীপনাৰে কাম কৰা মানুহেহে কল্পনা বাস্তৱত পৰিণত কৰিব পাৰে। যি বহুবল্কী, মিথ্যাচাৰী আৰু সদায় মিছা প্ৰতিশ্ৰুতিৰে ক্ষমতাত থাকিব খোজে, তেওঁলোকে ৰাইজৰ ধন প্ৰায় অকাৰণত খৰচ কৰি মহা পয়মালৰহে সৃষ্টি কৰে। ক্ষমতালোভীসকলে কামেৰে ৰাইজৰ মন জয় কৰিব নোৱাৰি নানান উপায়েৰে তেওঁলোকে ৰাইজৰ সমৰ্থন আৰু দৃষ্টি আকৰ্ষণ কৰাৰ ব্যৱস্থা কৰে। কোনো এটা নিৰ্বাচন যোৱাৰ পাছৰ দিনাৰ পৰাই তেওঁলোকে পুনৰ তাৰ পাছৰ নিৰ্বাচনটোৰ কথা মনত ৰাখি কথা কোৱাৰ আখৰা কৰে। নিৰ্বাচন এটাৰ ফলাফল ওলোৱাৰ পাছত অন্ততঃ চাৰি বছৰমানলৈ ক্ষমতাত অধিষ্ঠিত দলে নিৰ্বাচনৰ কোনো কথাই নোকোৱা হ'লে, ৰাইজে নিৰ্বাচনক এটি পৱিত্ৰ অনুষ্ঠান বুলি মনত ৰাখিব পাৰিলেহেঁতেন। সৰুৱেই হওক বা ডাঙৰেই হওক, নিৰ্বাচন নিৰ্বাচনেই। আমি সৰুৰে পৰা দেখা, শুনা বা স্থানীয় এমএলএৰ লগত ঢকুৱাখনা হেন কলীয়াপানীৰ পৰা তাহানিৰ অসমৰ ৰাজধানী শ্বিলঙত গৈ আমাৰ অভাৱ অভিযোগৰ কথা মুখ্যমন্ত্ৰীক জনাইছিলোগৈ। আমাৰ এমএলএজন কমিউনিষ্ট দলৰ প্ৰয়াত নামেশ্বৰ পেগুও আছিল। পেগুক কথা প্ৰসংগত প্ৰয়াত প্ৰাক্তন গহীন-গম্ভীৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীয়ে কৈছিল, 'মই এতিয়া সকলোৰে মুখ্যমন্ত্ৰী, আমাক ভোট দিয়া বা নিদিয়া সকলোৰে। কোনেও কথাবোৰ ভুলকৈ ভাবিব নালাগে। ৰাজ্যখনৰ সকলো কামে সমান মৰ্যাদা পাব, দৰকাৰী আৰু বেছি দৰকাৰী আদি কথাবোৰ চাইচিতিহে হ'ব'। আমি তেতিয়া কলেজৰ ছাত্ৰ। মুখ্যমন্ত্ৰীৰ কথাত প্ৰত্যয় গৈ সেইদিনা আমাৰ পেগুৱে সৰল হাঁহিটো মাৰি মুখ্যমন্ত্ৰীৰ পৰা বিদায় লৈছিল।

আজিকালি এনে সৌজন্যসূচক ব্যৱহাৰ আমি নেদেখা হৈ আহিছো। এতিয়া আমাক বয়সেও অভিজ্ঞ কৰিছে, ভাল আৰু বেয়া কি বোধহয় অলপ বুজি পোৱা হৈছো। সেই সকলোবোৰ কথা জুখি-মাখি চাই ক'বলৈ হ'লে, কিছুমান অপ্ৰিয় সত্য কথা ক'ব লাগিব। তেতিয়া ক্ষমতাত থকা নেতাসকলে আমাক আন কোনোবা দলৰ সমৰ্থক বুলিহে ভাবিব। ইয়াত সমৰ্থক বা বিৰোধীৰ কথা নাহে। দুয়ে দুয়ে চাৰি জাতিৰ কথাহে ক'ব লাগিব। তাকে নকৰিলে কালে আমাক বৰকৈ হাঁহিব। ক্ষণভংগুৰ মানুহৰ হাততনো কেইটাদিন থাকে। 'আহিল কণা গ'ল কণা খাগৰি কাটিল তিনি কনা'ৰ কথা বুজাসকলে কথাবোৰ নিশ্চয় বুজোতে দেৰী নালাগে। ভীষ্ম, বিদুৰ, দ্ৰোণাচাৰ্য বা পুত্ৰৰ মমতাত জন্মান্ধ ধৃতৰাষ্ট্ৰই হক কথাটো কিয় দুৰ্যোধনক একো নকৈছিল, সেইকথা বয়সস্থজনে নিশ্চয় জানে। আনৰ কথা নকওঁ, আনকি শ পুত্ৰৰ জন্মদাত্ৰী গান্ধাৰীয়েও সৎ আৰু অসতৰ কথা বুজি পাইছিল। কিন্তু তথাপি পুত্ৰহঁতক সৎপথলৈ ঘূৰাই আনিব নোৱাৰিলে। সেয়েহ যুধিষ্ঠিৰে যেতিয়া বৰমাক গান্ধাৰীৰ ওচৰত আশীৰ্বাদ খুজিছিল, গান্ধাৰীয়ে অকপটে মংগল কামনা কৰি কৈছিল, 'সত্যৰ সদায় জয় হয় পুত্ৰ'। কাৰণ মহাভাৰতৰ প্ৰতিজন মহাত্মাইও বুজিছিল, ৰাজ্যখনত যি হ'বলৈ গৈছিল, সেয়া অনিবাৰ্যভাৱে সংঘটিত হ'বই।

ৰাৱণৰো শতদৰ্পে স্বৰ্ণপুৰী-লংকা এদিন ছাৰখাৰ হৈছিল, সেয়েহে কোৱা হয় অসতৰ এদিন। মহাভাৰতৰ মূল ভাওনাখন কুৰুক্ষেত্ৰত সংঘটিত হৈছিল। তাৰ আগতে ৰাজনৈতিকভাৱে বহুতো সৰুধেমালি আৰু বৰধেমালি কৰা হৈছিল। দুৰ্যোধনে সেইবোৰৰ গভীৰলৈ নগৈ এটাৰ পাছত আনটোত অন্যায়ভাৱে পূৰ্ণ সহযোগ কৰিছিল। অহংকাৰ আৰু ক্ষমতাৰ ৰাগিত দুৰ্যোধনে এদিনলৈও গৰ্বৰ-পৰ্বতৰ পৰা তললৈ নানামিছিল। আনকি তেওঁ ভগৱান কৃষ্ণৰো দিহা-পৰামৰ্শ ওফৰাই দি কৈছিল, 'বাসুদেৱ, তুমি পাণ্ডৱৰ পক্ষত থাকিলেও জয় কিন্তু অনিবাৰ্যভাৱে আমাৰেই'। তেতিয়া কৃষ্ণই কোনো মন্তব্য নকৰি মাথোন মিচিকিয়াই হাঁহিছিল।

এতিয়া একবিংশ শতিকা, ঘোৰ কলিকাল। বিশ্বৰ ক'তো অকণমানো শান্তি নাই। মানৱ-সৃষ্ট অশান্তিয়ে বিশ্বৰ ধৰণীডালকে লৰাই তুলিছে। তাৰ উপৰি ক'ভিড-১৯-এ যোৱা দুবছৰত যি বিহু দেখুৱাইছে তাৰ পৰা মানৱ জাতিয়ে উশাহ নোপোৱা হৈছে। বিশ্বস্বাস্থ্য সংস্থাই কোৱা মতে কেৱল ভাৰততে এই ৰোগত ৪৭ লাখ মানুহৰ মৃত্যু হৈছে। যুদ্ধবাজ অগভীৰ, স্বাৰ্থপৰ আৰু ক্ষমতালোভী মানুহে এতিয়া যুদ্ধ ক্ষেত্ৰত ব্ৰহ্মাস্ত্ৰ অৰ্থাৎ আণৱিক বোমাৰ ব্যৱহাৰ কৰাৰ কথাও সদম্ভে ঘোষণা কৰিছে। এই ক্ষমতালোভী চক্ৰই নাজানে নে দ্বিতীয় মহাযুদ্ধৰ সময়ত জাপানত কি হৈছিল? আজি বিশ্বখনকে পুৰী ছাৰখাৰ কৰিব খোজাবোৰে নিজৰ মগজুবোৰ কামত লগোৱা নাই কিয়? এইবোৰ একো একোজন জ্ঞানীমূৰ্খ, ভস্মাসুৰো। মূল ভাওনাৰ পূৰ্বে সৰুধেমালি, বৰধেমালি কৰি থাকোতেই ইহঁত নাশ হ'ব লাগিছিল, তেনেকুৱা কিবা এটা হ'লেহে আমাৰ সেউজীয়া পৃথিৱীখন ৰক্ষা পৰিব।

পুটিনে যিমানেই দেশপ্ৰেমৰ কথা নকওক কিয়, ইউক্ৰেইনৰ নাগৰিকৰ সকলো জন্মগত অধিকাৰ কাঢ়ি নি তেওঁলোকৰ হেজাৰ হেজাৰ মানুহক হত্যা কৰি কি ধৰণৰ মানৱপ্ৰেমৰ কথা ইতিহাস ৰচিব খোজে? তেওঁ যি কাম কৰিছে, তেনে কাম তাহানিখনৰ বীৰ ছেংগিছ খাঁ বা সম্ৰাট অশোকেও কৰা নাছিল। মহম্মদ ঘোৰী, নাদিৰ শ্বাহ, বাবৰ, মিৰজুমলা কোনেও সাধাৰণ মানুহৰ গাত হাত দিয়া নাছিল। ধন-সম্পত্তি লুটি লৈ যোৱাৰ সময়ত, বাধা দিয়াবোৰক অৱশ্যেই কচুকটা দিছিল, কিন্তু বৃদ্ধ-নৰ-নাৰী-শিশুক বিচাৰি বিচাৰি নিগনি মৰা দি, হত্যা কৰা নহৈছিল। পুটিনে একবিংশ শতিকাৰ আটাইতকৈ ভয়ংকৰ অস্ত্ৰবোৰ প্ৰয়োগ কৰি যুদ্ধ কৰিছে, কৰক। কিন্তু সেই অস্ত্ৰই হাস্পতালৰ ৰোগীক, গিৰ্জাত আশ্ৰয় লৈ থকা নিৰীহলোকক আৰু শিক্ষানুষ্ঠানবোৰৰ ছাত্ৰক বোমাৰ আঘাতত উৰুৱাই দি যুদ্ধনীতি উলংঘা কৰিব নালাগিছিল। কলিংগৰ যুদ্ধত সম্ৰাট অশোকেও একলাখ সৈন্যককহে হত্যা কৰিছিল, সাধাৰণ নাগৰিকক নহয়। তেন্তে অসহায় নাগৰিকক হত্যা কৰা পুটিনক আমি কি অৰ্থত সভ্য বোলো? আমাৰ দেশত মহাভাৰতৰ দিনৰ কথা নকওঁ, আনকি আজিৰ অৰুণাচলৰ আদিসকলেও যুদ্ধ কৰিলে, সন্ধিয়াৰ পাছত যুদ্ধ বন্ধ ৰাখে। যুদ্ধ, সৈন্যই সৈন্যইহে কৰিব লাগে, তেওঁলোকেও মানে। পুটিনে সেই সৰু কথাটোও নাজানে নে? জানে। কিন্তু ক্ষমতাৰ খঁকত দুৰ্যোধনৰ দৰে অহংকাৰত পুটিন ইতিহাসৰ এটা কলংকিত চৰিত্ৰ হ'বলৈ গৈ আছে। তেওঁলোকৰ দেশৰ বাবে যুদ্ধ কৰিব লগা হৈছে যদি, সেয়া কৰক। কিন্তু যুদ্ধই সাধাৰণ নাগৰিকক হত্যা কৰাটো গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিশ্বত এনে পুটিন বহুত আছে। সেইবোৰক নিৰৱধি, নিৰ্দয় আৰু নিৰপেক্ষ মহাকালে এদিন নিশ্চয় বিচাৰ কৰি শাস্তি প্ৰদান কৰিব।

আমাৰ দেশত অস্থিৰতা হোৱাৰ বহুতো কাৰণ আছে। বৰ্তমান বজাৰৰ সকলো সামগ্ৰীৰ জুই-ছাই দামে মানুহক জীৱন নিৰ্বাহত যমৰ যাতনা দিছে। 'ৰাইজ আজি ভাৱৰীয়া দেশেই নাটঘৰ' হৈছে, তেওঁলোকে নাটৰ চৰিত্ৰ অনুসাৰে নাচিছে-বাগিছে, অভিনয়ত দিনৰ পাছত দিন অতিবাহিত কৰিছে। জীৱন সংগ্ৰামত জুৰুলা হৈ ৰাজনীতিকৰ শৰণাপন্ন হৈছে অথবা উপায়ান্তৰ হৈ অসীম ধৈৰ্যৰে যন্ত্ৰণাৰ পৰা মুক্তিৰ ক্ষণ গণিছে। দেশৰ বৰ বৰ ভাৱৰীয়াৰ ভাওত নিঃসহায় নাগৰিকে ক'তো জীৱন-জীৱিকাৰ নতুন পথ দেখা নোপোৱা হৈছে। তিমিৰাচ্ছন্ন জীৱনৰ সৰহখিনি সময় সৰুধেমালি বৰধেমালি চাওঁতেই অতিবাহিত হ'ল, কিন্তু তথাপি সুন্দৰ ভাওনা এখন দেখাৰ তেওঁলোকৰ সৌভাগ্য নঘটিল। নামঘৰ ৰূপী পৃথিৱীত ৰাইজে পাটি পাৰি ভাওনা চাবলৈ পৰম আগ্ৰহেৰে নিতৌ অপেক্ষা কৰি আছে, কিন্তু কতা, ক'তো জীৱন ধাৰণৰ জীৱিকা আৰু কৰ্মস্থল বিচাৰি পোৱা নাই। প্ৰতিবছৰে দুই কোটি চাকৰিৰ আশাত কোটি কোটি তৰুণ-তৰুণীয়ে চৰকাৰৰ মুখলৈ চাই অধীৰ আগ্ৰহেৰে ৰৈ আছে, কেতিয়াবা আহে সেই সুদিন? নাই, সেই সুদিন কিন্তু এতিয়াও অহা নাই। দিনৰ পাছত দিন নেতাসকলৰ প্ৰতিশ্ৰুতি শুনি শুনি সাধাৰণ নাগৰিকৰ কাণ ঘোলা হৈছে, বিলাসী বিমান আৰু হেলিকপ্টাৰত নেতাসকলে ভাওনা কৰি ঘূৰিয়ে আছে, কিন্তু ক'তো কৰ্মসংস্থাপনৰ কোনো ইংগিত পোৱা নাই। হিতাধিকাৰীয়ে দেশৰ কোনো উপকাৰ কৰি প্ৰগতি কৰিব নোৱাৰে, ই নিশ্চিত। হিতাধিকাৰীৰ ধন এক স্থায়ী ব্যৱস্থা কেতিয়াও নহয়, জীৱিকাতো নহয়েই। কোনো চৰকাৰে তেওঁলোকক অনন্তকাল হিতাধিকাৰী কৰি ৰাখিব নোৱাৰে, এদিন তেওঁলোকলৈ আগবঢ়োৱা সকলো সাহায্য বাধ্য হৈ বন্ধ কৰিব লাগিব। সেইদিনটো আহিলে হিতাধিকাৰী ৰাইজৰ কি দশা হ'ব, সেইকথা আজিয়েই ভাবি চাবৰ হ'ল। ভূপেনদাৰ 'ৰাইজ আজি ভাৱৰীয়া দেশেই নাটঘৰ' গীতটোলৈ বৰকৈ মনত পৰে। তেওঁ সেই গীতৰ যোগেদি ৰাইজক সচেতন কৰি বাৰে বাৰে কৈছে, 'তোমালোকে যি য'ত যেনেকৈয়ে আছা, তেনেকৈয়ে ওলাই আহা, তেহে নাটখন সফলভাৱে সমাপন হ'ব'।

দেশৰ অজস্ৰ সমস্যা আগত পৰি আছে, তালৈহে ধ্যান দি আমি কামত আগবাঢ়িব লাগিব। কোনে কি ভাও দিয়ে দি থাকক, কোনে কি ধেমালি কৰে কৰক, আমি কিন্তু দেশখনৰ কাৰণে অকণমান হ'লেও সময় উলিয়াই নিজৰ ভাও নিজে দিব লাগিব, সি প্ৰাণহীন অথবা নিষ্প্ৰাণ হ'লে নহ'ব, তেহে নাটৰ 'ৰহণ চৰিব'।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!



**উজনিৰ** পাহাৰ-পৰ্বত-জান-জুৰি অতিক্ৰম কৰি পাটকাইৰ কন্দৰে কন্দৰে ব্ৰিটিছ চাহাবসকলে উন্নত জাতৰ চাহ পুলি বিচাৰি, সেয়া আলফুলে তুলি আনি বাগিচা পাতি ফুৰিছিল। সেই সময়ত ডিব্ৰুগড়ত মূল কাৰ্যালয় বা আৱাসস্থল পাতি ঘূৰি ফুৰা চাহাবসকলৰ বাবে শদিয়া-ডুমডুমা-পেঙেৰীৰ নিচিনা দুৰ্গম স্থানবোৰো যেন ডিব্ৰুগড় নগৰখনৰ তেনেই কাষৰীয়া ঠাইহে আছিল সেইদৰেই গণ্য কৰিছিল যেন লাগে। ডিবৰুৰ পৰা ডুমডুমালৈ আসাম ট্ৰাংক ৰোডেদি গ'লে ৭০ কিলোমিটাৰ পথ অতিক্ৰম কৰিব লাগে। কিন্তু উজনিৰ চাহখেতি আৰু তাহানিৰ বহু বগা ছালৰ ৰঙা চুলিৰ চাহাবসকলৰ জীৱন প্ৰণালী সুক্ষ্মভাৱে অধ্যয়ন কৰা ডুমডুমা মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ তথা এজন অতি জনপ্ৰিয় ব্যক্তি ৰবীন চৌধুৰীয়েহে এই সাঁথৰ ভাঙি কৈছিল, তাহানিৰ চাহ খেতিয়ক চাহাব প্লেণ্টাৰসকলে পথ ব্যৱহাৰ কমকৈ কৰিছিল। বেছিকৈ ব্যৱহাৰ কৰিছিল জলপথ। ডুমডুমা এখন নদীৰ নাম। সিপিনে চামদাঙেদি নামি অহা এখন নদী ডিব্ৰু। দুয়োখন লগলাগি প্ৰবাহিত হৈছে টিপুক নৈ, ঢলা নৈ আৰু ডাঙৰী নৈয়েদি। ডিবৰুৰ গড়ৰ কাষেদি যাত্ৰা আৰম্ভ কৰিলে ডিব্ৰু বৰ্ষাৰণ্যৰ কাষেদি লৈ তিনিচুকীয়াৰ কাষৰ ৰঙাগড়া চুই পোনে পোনে সেয়া দেখোন ডুমডুমা নৈৰ পাৰতে ডুমডুমা জনপদ। নিচেই ওচৰ। তেওঁ লিখিছিল— ডিবৰু নৈৰ পাৰত যেতিয়া সাহিত্যৰথীৰ নশ্বৰদেহ সৎকাৰৰ বাবে ৰখা হৈছিল তেতিয়া লুইত-ডিবৰুৰেদিয়ে হেজাৰ-বিজাৰ মানুহ ডিবৰু নগৰৰ সমীপৰ বালিচৰত একত্ৰিত হৈছিল। এনে জনসমুদ্ৰৰ ফটো তাহানিৰ আৱাহনৰ পাতত প্ৰকাশ হৈছিল। ডিবৰুৰ বিখ্যাত ফটোগ্ৰাফাৰ মুক্তানাথ বৰদলৈয়ে ওখ গছৰ ওপৰত তোলা ফটোগ্ৰাফ দেখিলে এনেহেন লাগে যেন আজিৰ যুগৰ ড্ৰোণ কেমেৰাৰেহে সেই ফটো তুলিছিল। মোৰ যোৰহাটৰ ঘৰৰ লাইব্ৰেৰীত সংৰক্ষিত হৈ থকা আৱাহনৰ পাতত এনে ফটো দেখি ফটোগ্ৰাফাৰ হ'বলৈ মন মেলাৰ কথা আজিও স্মৰণ কৰি ৰোমাঞ্চিত হওঁ। আমাৰ জন্মৰ কে'বাদশকৰ পূৰ্বেই বৰদলৈ ডাঙৰীয়াই এনে বহু ফটো তুলিছিল। ৰত্না বৰুৱা আৰু ৰোহিণী বৰুৱাৰ ঘৰত বিয়োগ ঘটা বেজবৰুৱাৰ দুহিতা ৰত্না ববৰুৱাৰ জোঁৱাই আশীষ চৌধুৰী আছিল বদলাভেটাৰ পৰিচালক। ৰত্না বৰুৱাও বিলীন হৈছিল বদলাভেটাৰ মাটিতে। ৰত্না বৰুৱাই ডিবৰুৰ মোহ এৰিব নোৱাৰাৰ দৰেই মোহ এৰিব পৰা নাছিল অক্সফোৰ্ডৰ স্নাতক কেচবৰ্ণ চাহাবে। ডুমডুমা টিকোম্পানীৰ পীটাৰ জেমচে। আইৰিচ উইনী চাহাবে বিবাহ কৰিছিল হীৰা দত্তক। ফ্লিন চাহাবৰ কলী পৰিবাৰ কলীমেমৰ বাংলা আজিও বিখ্যাত। বৰডুবিৰ টুইছ চাহাব, কুমছাং বাগিচাৰ মেকেছী চাহাব, খাচিয়া পৰিবাৰক লৈ অহা আসাম ফ্ৰণ্টিয়াৰৰ বাটন চাহাব, টন ব্ৰেজিয়াৰ, ডুমডুমা ইণ্ডিয়াৰ পিৰি চাহাব আদিক কেনেকৈ পাহৰিব পাৰে অসমীয়া জাতিয়ে? উদ চাহাব আহিছিল জৰ্জ উইলিয়ামচন চাহাবৰ বাগিচা--পৰিদৰ্শন কৰিবলৈ। কিন্তু বান্ধ খাই গ'ল উজনি অসমৰ প্ৰেমত। পাছত দুই সন্তান চাৰ্লচ উদ আৰু পিটাৰ উদো আহি ডুমডুমাৰ নাগৰিক হ'লহি। অসমীয়া ৰাইজে পাহাৰিব নোৱাৰে উদ চাহাক। সেয়ে ডুমডুমাৰ অতি ব্যস্ত পথটোৰ নাম আজিও হৈ আছে 'উদ ৰোড'। আয়াৰলেণ্ডৰ ডাবলিন চহৰৰ মোহ এৰি থৈ অহা উইনী চাহাবে বিবাহ কৰিছিল সকলোৰে মৰমৰ হীৰা দত্ত বাইদেউক। জীৱনৰ শেষত ঘূৰি গৈছিল আয়াৰলেণ্ডলৈ। কিন্তু ঘূৰি আহি পৰিবাৰক ক'লে— মোৰ উইল এখন আছে লকাৰত। মৃত্যুৰ লগে লগে খুলি চাবা। হয়, চাহাবৰ মৃত্যুৰ লগে লগে খোলা হ'ল। উইলখন পঢ়ি সকলো অবাক। চাহাবে লিখি গৈছে— মোৰ দেহ কাষ্ঠসংস্কাৰ কৰিবাহঁক। ডুমডুমা নদীৰ পাৰত ডুমডুমা চহৰৰ এটা চিনাকি নাম উইনী চাহাবক হিন্দু ৰীতি-নীতিমতে কাষ্ঠসংকাৰ কৰা হৈছিল। বিচৰা চাহবাগিচাত জন্ম লাভ কৰা ষ্টেমাৰ চাহাবৰ টিলা বাংলা আজিও বিখ্যাত। ডিবৰুলৈ অহা সকলো ভিআইপি; যেনে বৰলাট, গভৰ্ণৰ, বিভিন্ন দেশৰ হাই কমিছনাৰ আলহী হৈছিলহি টিলা বাংলাৰ। কিয়নো ডিব্ৰুগড়ত তেতিয়ালৈকে নাছিল আৰ্বত ভৱন অথবা চাৰ্কুইট হাউছ। মিঃ অকনাৰ আৰু পৰিবাৰ মংলীও আহিছিল। ডুমডুমাৰ চিনেমা হলত উপভোগ কৰিছিলহি চামেলি মেমচাহাব।

**ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ**

**বিশ্বজিৎ বৰুৱা**



এই ডিবৰুৰ বাগিচাৰ পৰাই যে এজনী ফুটফুটীয়া ছোৱালী ওলাই গৈ হলিউদত নিজৰ আসন গজগজীয়া কৰি 'অস্কাৰ' লাভ কৰিছিল সেই কাহিনী আজিও বহুজনৰ মুখে মুখে। নৱপ্ৰজন্মৰ বাবে সেই সত্য কাহিনীও লিপিবদ্ধ কৰি থওঁ।

*ফোন ঃ ৯৪৩৫০২৮০০৮*

# দেশী-জনগোষ্ঠীৰ ইতিহাসৰ জীৱন্ত সাক্ষী পাণবাৰী মছজিদ

**ইছলামূল হক মণ্ডল**

**প্ৰাচীন** কামৰূপৰ চাৰি পীঠৰ পশ্চিমাংশত থকা ৰত্নপীঠত ১২০০ খ্ৰীষ্টাব্দৰ আগতে হয়তো এজনো ইছলামধৰ্মী লোক আছিল। আছিল কেৱল মংগোলীয় নৃগোষ্ঠীৰ কোচ, মেচ, থাৰু (বা তিহাৰু) আদি আদিবাসী লোক। ইয়াৰ পাছত দিল্লীৰ চুলতান কুতুবুদ্দিনৰ শাসনকালত এগৰাকী যোদ্ধা ইখতিয়াৰউদ্দিন মহম্মদ বখতিয়াৰ খিলিজীয়ে বিহাৰ অধিকাৰ কৰি ক্ৰমান্বয়ে পশ্চিমফালে আগবাঢ়ি আহে আৰু বংগদেশ জয় কৰি পশ্চিম কামৰূপত ১২০৫-০৬ খ্ৰীষ্টাব্দত সৈন্য-সামন্ত লৈ সোমায়। সেই সময়ৰ কামৰূপৰ ৰজা পৃথুৰ ৰাজ্যত বখতিয়াৰ খিলিজীয়ে আচলতে তিব্বত অভিযানৰ মানসেৰে সোমাইছিল বুলি ইতিহাসত পোৱা যায়। এই অভিযানতে এজন মেচ দলপতি তেওঁৰ সান্নিধ্যলৈ আহে আৰু ইছলাম ধৰ্ম গ্ৰহণ কৰি 'আলিমেচ' নাম লয়। এয়াই পশ্চিম অসমৰ দেশী জনগোষ্ঠীৰ আৰম্ভণি আৰু সেয়ে আলিমেচক দেশী জনগোষ্ঠীৰ আদিপুৰুষ বুলি কোৱা হয়। খুব সম্ভৱ ইয়াৰ পাছত আলিমেচৰ বংশধৰসকলেও ইছলাম ধৰ্ম গ্ৰহণ কৰে। আলিমেচৰ ঘৰ প্ৰকৃততে ক'ত আছিল এই লৈ কোনো স্পষ্ট তথ্য ইতিহাসত পাবলৈ নাই। অৱশ্যে মিনহাজ-ই ছিৰাজৰ 'তবকাৎ-ই-নাসিৰী' নামক ফাৰ্চি কিতাপৰ লগতে আন কে'বাখনো ঐতিহাসিক গ্ৰন্থৰ আলম লৈ লিখা মেজৰ এইছ জি ৰেভাৰ্টিৰ ১৮৮১ খ্ৰীষ্টাব্দত প্ৰকাশিত মূল্যবান ইংৰাজী গ্ৰন্থত বখতিয়াৰ খিলিজীৰ তিব্বত অভিযান সম্পৰ্কে এনেকৈ উল্লেখ কৰিছে, '...Following that route Muhammad came to a place called Rangamati in front of which place flows a river of vast magnitude...three times more than the river Ganga.' এই ঐতিহাসিক ৰংগামাটি হ'ল আজিৰ ধুবুৰী চহৰৰ পৰা ২৫ কিলোমিটাৰ দূৰৰ পাণবাৰী অঞ্চল আৰু উল্লিখিত নদীখন যে মহাবাহু ব্ৰহ্মপুত্ৰ তাত কোনো সন্দেহৰ অৱকাশ নাই। ইয়াৰ পৰা এই কথা অনুমান কৰিব পাৰি যে বখতিয়াৰ খিলিজীয়ে নিজৰ পথ প্ৰদৰ্শকৰূপে লগত লোৱা মেচ দলপতি বা দেশী জনগোষ্ঠীৰ আদিপুৰুষ 'আলিমেচ' এই ৰংগামাটি অথবা হয়তো ইয়াৰ ওচৰে-পাঁজৰে থকা কোনো এখন ঠাইৰ বাসিন্দা আছিল।

ইয়াৰ পৰৱৰ্তী কালত ১৩৩৬ৰ পৰা ১৩৫২ খ্ৰীষ্টাব্দলৈ ফখৰুদ্দিন মোবাৰক শ্বাহে কামৰূপ শাসন কৰে। তেওঁৰ দিনত এক বুজন সংখ্যক স্থানীয় লোক ইছলাম ধৰ্ম গ্ৰহণ কৰা বুলি পৰ্যটক ইবন বটুতাই তেওঁৰ ছফৰনামাত উল্লেখ কৰিছে। গৌড়ৰ নবাব বাৰবাক শ্বাহৰ শাসনকালত (১৪৫৯-৭৪ খ্ৰীষ্টাব্দ) তেওঁৰ সেনাপতি ইছমাইল গাজীৰ লগত কমতাপুৰৰ (আধুনিক অবিভক্ত গোৱালপাৰা জিলাৰ ভৌগোলিক সীমাৰ অন্তৰ্গত)খেন বংশীয় ৰজা 'কমতেশ্বৰ' চক্ৰধ্বজৰ যুদ্ধ হয় আৰু চক্ৰধ্বজে ইছমাইল গাজীৰ শিষ্যত্ব গ্ৰহণ কৰি ইছলাম ধৰ্ম গ্ৰহণ কৰে বুলি পাৰ্চী ভাষাত লিখা 'ৰেছালা তোছ ছোহাদা' নামৰ গ্ৰন্থত উল্লেখ আছে। 'ৰুদ্ৰসিংহ বুৰঞ্জী'ত কমতেশ্বৰৰ লগত গৌড়ৰ নৱাবৰ কন্যাৰ বিবাহ সম্পন্ন হোৱা বুলিও উল্লেখ আছে। এইদৰেই ৰজাৰ লগতে প্ৰজায়ো ইছলাম ধৰ্ম গ্ৰহণ কৰে বুলি অনুমান কৰিব পাৰি। ইয়াৰ পাছতে ১৪৯৮ খ্ৰীষ্টাব্দত গৌড়ৰ চুলতান আলাউদ্দিন হুচেইন শ্বাহে কমতাপুৰ দখল কৰে আৰু ওপৰত উল্লিখিত ৰংগামাটিতে ছাউনী পাতি শাসন কাৰ্য চলায়। এইদৰে কমতাপুৰ ৰাজ্যৰ এই অঞ্চলবোৰত মোগল যুগৰ কে'বাশ বছৰ আগৰ পৰাই মুছলমান শাসনকৰ্তাৰ আগমন ঘটে আৰু বিভিন্ন সামাজিক কাৰণত ইছলাম ধৰ্মৰ সমতাৰ বাণী আৰু এক ঈশ্বৰবাদৰ প্ৰতি আকৃষ্ট হৈ ইয়াৰ স্থানীয় কোচ, মেচ আদি জনজাতীয় লোকসকলে ইছলাম গ্ৰহণ কৰে। আনুমানিক ১৫০০ খ্ৰীষ্টাব্দত গৌড়ৰ চুলতান আলাউদ্দিন হুচেইন শ্বাহে আজি আমি দেখা পোৱা এই ঐতিহাসিক পাণবাৰী (ৰংগামাটি) মছজিদটো নিৰ্মাণ কৰে। ইয়াৰ পৰৱৰ্তী কালত কোচ ৰজা-মহাৰজায়ো পৰোক্ষভাৱে ইছলামধৰ্মী দেশী-জনগোষ্ঠীৰ লোকৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাইছিল। ধৰ্মান্তৰকৰণত বাধা দিয়াৰ পৰা কেৱল বিৰত থকাই নহয় বৰঞ্চ কোচ ৰজাই নৱ দীক্ষিত মুছলমানসকলক মাটি দান কৰি মছজিদ আদি ধৰ্মীয় উপাসনাগৃহ নিৰ্মাণত সহায়-সহযোগিতা আগবঢ়াইছিল। গতিকে প্ৰজাই বিনা দ্বিধাই নিজৰ প্ৰাচীন জনজাতীয় ধৰ্ম পৰিহাৰ কৰি ইছলাম গ্ৰহণ কৰিছিল।

মোগলৰ শাসন কালত বিভিন্ন সময়ত কে'বাবাৰো মোগলে কামৰূপ আক্ৰমণ কৰা বুলি ইতিহাসত পোৱা যায়। উল্লেখ্য যে ১৬১৪ৰ পৰা ১৭৬৫লৈ মুঠ ১৫০ বছৰ নিৰৱিচ্ছিন্নভাৱে মোগলে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে কোচ-কমতাপুৰ শাসন কৰিছিল। মোগলৰ প্ৰতিটো আগমনতে এটা দিশ বিশেষভাৱে লক্ষ্যণীয়; সেয়া হ'ল মোগলে সদায় এক বুজন সংখ্যক ইছলাম ধৰ্মগুৰুক লগত লৈ আহিছিল। কাৰণ কামৰূপ এখন যাদু-মন্ত্ৰৰ দেশ বুলি তেওঁলোকে বিশ্বাস কৰিছিল আৰু এনে ক'লা যাদুৰ প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ উচ্চ স্তৰৰ পীৰ-দৰবেশ-আউলীয়া জাতীয় লোকক লগত আনিছিল। অৱশ্যে প্ৰাচীন কামৰূপীয় যাদুৰ প্ৰকোপৰ পৰা তেওঁলোকে মোগল সৈন্যক ৰক্ষা কৰিব পাৰিছিল নে নাই, সেয়া সঠিককৈ জনা নাযায়। কিন্তু ইয়াৰ স্থানীয় বাসিন্দাসকলক ইছলামৰ একেশ্বৰবাদ আৰু শান্তিৰ বাণীৰে এক বৃহৎ সংখ্যক লোকক ইছলাম ধৰ্মত দীক্ষা দিবলৈ যে সক্ষম হৈছিল, তাৰ জ্বলন্ত প্ৰমাণ অসমৰ দেশী জনগোষ্ঠী। উদাহৰণ স্বৰূপে ১৬৬১ খ্ৰীষ্টাব্দত মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত তেওঁৰ লগত অহা পীৰসকলৰ ভিতৰত পাঁচজনৰ সমাধি (মাজাৰ) ধুবুৰী চহৰত আজিও বিদ্যমান আৰু ঐতিহ্যমণ্ডিত পাঁচপীৰ দৰগাহ বুলি জনাজাত। এই পাঁচজন পীৰ আছিল ক্ৰমে শ্বাহ আকবৰ, শ্বাহ বাকমৰ, শ্বাহ শ্বাৰাণ, শ্বাহ ছুফি আৰু শ্বাহ কামাল। তদুপৰি অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত বহুতো পীৰৰ মাজাৰ দেখিবলৈ পোৱা যায়।



উপৰোক্ত আলোচনাৰ পৰা এটা কথা স্পষ্ট যে উল্লিখিত পাঁচশ বছৰ পুৰণি পাণবাৰী মছজিদ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত থকা পীৰ-আউলিয়াৰ মাজাৰবোৰেই অসমৰ খিলঞ্জীয়া দেশী মুছলমানৰ লগত জড়িত ইতিহাসৰ সাক্ষ্য বহন কৰিছে। আমি জানো যে ইতিহাস হ'ল ইতিমধ্যে ঘটি যোৱা ঘটনাৱলীৰ এক জীৱন্ত দস্তাবেজ। এই দস্তাবেজসমূহ ইয়াৰ প্ৰকৃত ৰূপত সংৰক্ষণ কৰাটো প্ৰতিখন সভ্য সমাজৰ দায়িত্ব আৰু কৰ্তব্য। উপাসনাস্থলীৰ নামত জড়িত ধৰ্মীয় সংবেদনশীলতাৰ লগতে দেশী সমাজৰ আবেগ বিজড়িত এই কীৰ্তিচিহ্নবোৰৰ ঐতিহাসিক মূল্যও কোনোগুণে কম নহয়। এই ঐতিহাসিক কীৰ্তি চিহ্নবোৰক দেশী সমাজে কোনো কাৰণতে কোনো প্ৰকাৰৰ আগ্ৰাসন বা অব্যৱস্থা অথবা কাৰোবাৰ দায়িত্বহীনতাৰ কৱলত পৰি বিকৃত বা ধ্বংস হৈ যাবলৈ দিব নোৱাৰে। ৰংগামাটি মছজিদৰ উপৰি এই পাণবাৰী অঞ্চলত হুচেইন শ্বাহৰ দিনতে স্থাপন কৰা ঈদগাহ আৰু এটা গভীৰ নাদ থকা বুলি আমি জানো। আজি এই ঐতিহাসিক কীৰ্তিচিহ্নবোৰৰ অৱস্থা তেনেই দুখ লগা। দুৰ্ভাগজনক কথা যে কিছুদিন আগতে মছজিদৰ ঐতিহ্যক গুৰুত্বহীন কৰি ইয়াৰ একেবাৰে ওচৰতে বেআইনীভাৱে ৬৪খন দোকান বহুৱাই ইয়াক এক অবৈধ ধন ঘটাৰ উৎস কৰি তোলা হৈছে। অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ হেমাহি আৰু ইয়াৰ পৰিচালনাৰ লগত জড়িত লোকসকলৰ দায়িত্বহীনতা সৰ্বত্ৰে বিৰাজমান। এয়া দেশী জনগোষ্ঠীৰ লোকসকলৰ বাবে বৰ চিন্তনীয় বিষয়। অৱশ্যে বৰ্তমানৰ অসম চৰকাৰে দেশীৰ বিভিন্ন সামাজিক সংগঠনৰ দাবীৰ প্ৰতি সঁহাৰি জনাই এই দিশত এক ইতিবাচক পদক্ষেপ লোৱা আমি দেখিবলৈ পাইছো। এনেকি যোৱা ২৪ জানুৱাৰীত ধুবুৰী জিলাৰ উপায়ুক্তই এক আদৰ্শমৰ্মে এই ঐতিহাসিক পাণবাৰী মছজিদৰ তত্বাৱধানৰ দায়িত্ব ঐতিহাসিক ৰংগামাটি অঞ্চলত বসবাস কৰা দেশী জনগোষ্ঠীৰ এশগৰাকী ব্যক্তিৰ ওপৰত ন্যস্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অনতিপলমে এই অতিকৈ গুৰুত্বপূৰ্ণ ঐতিহাসিক কীৰ্তিচিহ্নটোৰ প্ৰয়োজনীয় সৌন্দৰ্যবৰ্ধন আৰু সংৰক্ষণত গুৰুত্ব প্ৰদান কৰি ৰংগামাটিক এক পৰ্যটনস্থলীলৈ ৰূপান্তৰিত কৰিব বুলি সকলো সচেতন ৰাইজে আশা কৰিছে।

**লেখক ঃ 'দেশী জনগোষ্ঠীয় মঞ্চ, অসম'ৰ কেন্দ্ৰীয় উপদেষ্টা)**
ফোন ঃ ৯৪৩৫০০০০৭৬

# আন্তৰ্জাতিক নাৰ্ছ দিৱসৰ চিন্তা

**দীপালি দাস**



**১২** মে'ৰ দিনটো সমগ্ৰ বিশ্বজুৰি আধুনিক নাৰ্ছিং শিক্ষা আৰু সেৱাৰ প্ৰতিষ্ঠাতা মহীয়সী ফ্ল'ৰেন্স নাইটিংগেলৰ জন্মদিন 'আন্তৰ্জাতিক নাৰ্ছ দিৱস' ৰূপে উদ্‌যাপিত হৈ আহিছে। প্ৰতি বছৰে এই দিৱসৰ লগত সংগতি ৰাখি আন্তৰ্জাতিক নাৰ্ছিং পৰিষদে (আইএনচি) একোটিকৈ প্ৰতিপাদ্য বিষয় নিৰ্ধাৰণ কৰি দিয়ে। সেই অনুসৰি বিশ্বৰ নাৰ্ছ সমাজে নাইটিংগেলৰ ইতিহাস পৰিৱৰ্তনকাৰী কাৰ্যাৱলী পূৰণ কৰাৰ লগতে তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱাৰ প্ৰচেষ্টাৰে বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰে। ২০২২ৰ নাৰ্ছ দিৱসৰ মূল বিষয়টো হ'ল— 'Nurses' A voice to lead-Invest in Narsing and respect Rights to secure of global health'

স্বাস্থ্য সেৱা খণ্ডৰ বৃহত্তম কৰ্মী বাহিনী হিচাপে নাৰ্ছসকলে সমগ্ৰ বিশ্বতে অহৰ্নিশে স্বাস্থ্যসেৱা প্ৰদান কৰি আহিছে অতীজৰে পৰা। স্বাস্থ্য বিজ্ঞান তথা প্ৰযুক্তিৰ প্ৰভূত বিকাশৰ সমান্তৰালকৈ নাৰ্ছিং শিক্ষাৰ ক্ষেত্ৰতো অগ্ৰগতি ঘটিছে। বিভিন্ন পৰ্যায়ৰ পাঠ্যক্ৰমত (ডিপ্ল'মা, স্নাতক, স্নাতকোত্তৰ, ডক্টৰেট আদি) শিক্ষা গ্ৰহণ কৰি আজিৰ নাৰ্ছসকলে নিজকে চিকিৎসালয়কেন্দ্ৰিক সেৱাৰ উপৰি স্বাস্থ্যসেৱা প্ৰদানৰ আন কিছুমান বিশেষ দিশতো প্ৰয়োজনীয় সেৱা আগবঢ়াব পৰাকৈ প্ৰস্তুত কৰি তুলিছে। এইটো সৰ্বজনবিদিত যে এই বৃহত্তম কৰ্মীবাহিনী অবিহনে বিশ্বৰ স্বাস্থ্যসেৱাত অচল পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। অতি সম্প্ৰতি ক'ভিড-১৯ অতিমাৰীৰ সময়ত প্ৰথম শাৰীৰ যোদ্ধাৰূপে নাৰ্ছসকলে নিজৰ, পৰিয়ালৰ, সন্তানৰ স্বাৰ্থ বিপন্ন কৰি যি অভাৱনীয় দায়িত্ব পালন কৰিছিল তাৰ তুলনা নাই। বহুজনে এই যুদ্ধত প্ৰাণাহুতি দিবলগীয়া হোৱাৰ লগতে আন কিছুমানে সমাজৰ পৰাও নানা বাধা-বিঘিনিৰ সন্মুখীন হ'ব লগাত পৰিছিল। তেওঁলোকৰ সেই ত্যাগ আৰু সেৱাৰ স্বীকৃতি স্বৰূপে বিশ্বৰ বহু বৰেণ্য নেতা, ব্যক্তি আৰু স্বাস্থ্য বিভাগৰ মুৰব্বী বিষয়া আদিয়ে প্ৰশংসা, ধন্যবাদ, অভিনন্দন-শুভেচ্ছা আদিৰে উপচাই পেলাইছিল। তৎসত্বেও এই একবিংশ শতিকাত নাৰ্ছসকলে নিজৰ অধিকাৰ, নাৰ্ছিং পৰিসেৱাৰ শিতানত অধিক বিনিয়োগ সম্পৰ্কে মাত মাতিবলগীয়া হোৱাটো অতিশয় তাৎপৰ্যপূৰ্ণ, বিশেষকৈ বিশ্বৰ স্বাস্থ্য সেৱাৰ সুৰক্ষাৰ খাতিৰত। আমি দেখিবলৈ পাওঁ যে নাৰ্ছসকলৰ অধিকাৰৰ পৰা বঞ্চিত তালিকাখন যথেষ্ট দীঘলীয়া। অতি সংক্ষিপ্তভাৱে কেইটামান উল্লেখ কৰা হ'ল—

কৰ্মক্ষেত্ৰসমূহত প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু সামগ্ৰী লাভ কৰাৰ অধিকাৰৰ পৰা বঞ্চিত নাৰ্ছসকলে সঠিক সেৱা প্ৰদানত অসফল হোৱা পৰিলিক্ষিত হয়।

■ মাত্ৰাধিক ৰোগীৰ অনুপাতে নাৰ্ছ নিযুক্তিৰ সংখ্যা বহু কম হোৱাৰ বাবে অধিক সময় কাৰ্যক্ষেত্ৰত থাকিবলগীয়া হোৱা কাৰ্যই আন্তৰ্জাতিক শ্ৰমৰ সময়ৰ মান উলংঘা কৰে।

■ শিক্ষাগত অৰ্হতাৰ ভিত্তিত আন কাৰিকৰী শিক্ষাৰে শিক্ষিত কৰ্মচাৰীৰ সমহাৰত দৰমহা লোৱাৰ অধিকাৰ সদায়েই খৰ্ব হৈ অহা দেখা যায় নাৰ্ছসকলৰ ক্ষেত্ৰত। সঠিক দৰমহা গাঁথনিৰ অভাৱেই ইয়াৰ মূল কাৰণ।

■ সুস্পষ্ট আৰু সঠিক পদোন্নতিৰ আঁচনি নথকা বাবে নাৰ্ছসকল পদোন্নতিৰ অধিকাৰৰ পৰা প্ৰায়েই বঞ্চিত হৈ আহিছে। আনহাতে বিভিন্ন পৰ্যায়ত পদ সৃষ্টিৰো কোনো ব্যৱস্থা দেখা নাযায় বাবে চাকৰিকালত এগৰাকী নাৰ্ছে বহু বছৰৰ মূৰত এটা পদোন্নতিৰ পাছতে অৱসৰ ল'বলগীয়া হয়।

■ নাৰ্ছিং সেৱাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ আৰু নীতি নিৰ্দ্ধাৰণৰ অধিকাৰৰ পৰা নাৰ্ছসকল সদায় বঞ্চিত। আনে জাপি দিয়া সিদ্ধান্ত/নীতি মানি কৰ্তব্য সম্পাদন কৰিবলগীয়া হয় বাবে অসন্তুষ্টিয়ে গা কৰি উঠে।

উপৰি উক্ত দিশসমূহলৈ লক্ষ্য কৰি পৰিৱৰ্তন আৰু উন্নতিৰ হকে সচেষ্ট হোৱাৰ সময় আহি পৰিছে। প্ৰশাসন যন্ত্ৰ, দায়িত্বশীল বিভাগীয় মুৰব্বী, নাৰ্ছিং সংগঠন (ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়) সমূহ সংঘবদ্ধ হৈ আগবাঢ়ি গ'লেহে এই ক্ষেত্ৰত সফলতাৰ ৰেঙণিয়ে সকলোকে প্ৰভাৱিত কৰিব বুলি আমাৰ আশা আৰু বিশ্বাস। আনহাতে, উক্ত প্ৰচেষ্টা আৰু প্ৰক্ৰিয়াত সঠিক, সময় সাপেক্ষ অৰ্থ বিনিয়োগ সংপৃক্ত হ'লেহে বিশ্ববাসীৰ স্বাস্থ্য সুৰক্ষিত হ'ব।

*ফোন ঃ ৮৬৩৮৬০৫৩০৭*



## ইজৰাইলত সামৰিক অভিযানত গুলিবিদ্ধ হৈ মৃত্যু মহিলা সাংবাদিকৰ

**নিউজ ব্যুৰ’, জেৰুজালেম, ১১ মে’ ঃ** বাতৰি সংগ্ৰহ কৰিবলৈ গৈ ইজৰাইলৰ সামৰিক অভিযানত গুলিবিদ্ধ হৈ প্ৰাণ হেৰুৱালে এগৰাকী মহিলা সাংবাদিকে। পেলেষ্টাইনৰ বেষ্ট বেংকত ইজৰাইলী সেনাৰ গুলিত মৃত্যু হ’ল আল জাজিৰাৰ পেলেষ্টাইনৰ সাংবাদিক ছিৰিন আবু আলেখৰ। ঘটনাস্থলীতে আলেখে প্ৰাণ হেৰুৱায়। ইজৰাইলী সামৰিক অভিযানত আন এজন সাংবাদিকো গুলিবিদ্ধ হয়।

## বোৰ্খাৰ বিৰোধিতাৰে কাবুলৰ ৰাজপথত বিক্ষোভ প্ৰদৰ্শন আফগান মহিলাৰ



**নিউজ ব্যুৰ’, কাবুল, ১১ মে’ ঃ** আফগানিস্তানত তালিবানে মহিলাৰ বোৰ্খা পৰিধান বাধ্যতামূলক কৰাৰ পাছত তালিবান শাসকৰ বিৰোধিতাৰে ৰাজপথত নামিল একাংশ আফগান মহিলা। ৰাজধানী কাবুলত বোৰ্খা বিৰোধী প্ৰতিবাদত অংশ ল’লে যথেষ্টসংখ্যক মহিলাই। এইসকল আফগান মহিলাই নিজৰ চেহেৰা প্ৰদৰ্শন কৰি বোৰ্খা বাধ্যতামূলক কৰাৰ বিৰুদ্ধে শ্লʼগান দিয়ে। হাতত প্লেকাৰ্ড লৈ বিক্ষোভত অংশ লোৱা চাইৰা ছমাহ অলিমিয়াৰে কয়, ‘আমিও মানুহ আৰু মানুহৰ দৰে জীয়াই থাকিব বিচাৰো। আমি নিবিচাৰো যে কোনোবাই আমাক জন্তুৰ দৰে ঘৰৰ এটা কোণত বন্দী কৰি ৰাখক। কিয় আমাক ৰাজহুৱা স্থানত নিজৰ শৰীৰ সম্পূৰ্ণকৈ ঢাকি ৰাখিবলৈ বাধ্য কৰোৱা হৈছে।’ প্ৰতিবাদকাৰী মহিলাসকলে কয় যে তেওঁলোকে কেতিয়াও তালিবানৰ নিৰ্দেশত বোৰ্খা পৰিধান নকৰে।

## পাকিস্তানী টকাৰো মূল্য হ্ৰাস, ডলাৰৰ বিপৰীতে হ’ল ১৮৮.৩৫ টকা



**নিউজ ব্যুৰ’, ইছলামাবাদ, ১১ মে’ ঃ** আমেৰিকাৰ ডলাৰৰ বিপৰীতে পাকিস্তানৰ টকাৰ মূল্য সৰ্বকালৰ সৰ্বনিম্ন হ’ল। সম্প্ৰতি আন্তৰ্জাতিক বজাৰত প্ৰতি এক ডলাৰৰ বিপৰীতে পাকিস্তানী মুদ্ৰাৰ মূল্য ১৮৮.৩৫ টকা হৈছে। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, একাধিক কাৰণত পাকিস্তানী মুদ্ৰা ডলাৰৰ বিপৰীতে অধিক দুৰ্বল হ’বলৈ ধৰিছে। সম্প্ৰতি পাকিস্তানে জটিল বিত্তীয় অৱস্থাৰ সন্মুখীন হৈছে আৰু দেশখনৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ হ্ৰাস পাবলৈ ধৰিছে। এনে সময়তে ডলাৰৰ বিপৰীতে পাকিস্তানী মুদ্ৰাৰ মূল্য হ্ৰাসৰ ফলত দেশখনৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ অধিক হ্ৰাসৰ সম্ভাৱনা প্ৰকট হৈছে।

## প্ৰাক্তন কেন্দ্ৰীয় টেলিক’ম মন্ত্ৰী সুখৰামৰ মৃত্যু



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** হিমাচল প্ৰদেশৰ বৰ্ষীয়ান কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় টেলিক’ম মন্ত্ৰী সুখৰামৰ মৃত্যু হ’ল। আজি নতুন দিল্লীস্থ এইমছত শেষ নিশ্বাস ত্যাগ কৰিলে ৯৫ বছৰীয়া ৰাজনীতিবিদজনে। যোৱা ছয় মে’ত মস্তিষ্কৰ ষ্ট্ৰ’কত আক্ৰান্ত হৈছিল সুখৰাম। বৰ্ষীয়ান ৰাজনীতিবিদজনে পাঁচবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছিল। মাণ্ডিৰ পৰা তিনিবাৰকৈ তেওঁ সাংসদো নিৰ্বাচিত হৈছিল। সুখৰাম কেন্দ্ৰীয় টেলিক’ম মন্ত্ৰী হৈ থকাৰ সময়ত তেওঁৰ বিৰুদ্ধে দুৰ্নীতিৰ একাধিক অভিযোগ উত্থাপিত হৈছিল। চিবিআয়ে তালাচী চলাই তেওঁৰ বাসগৃহৰ পৰা হিচাপ বহিৰ্ভূত ধন জব্দ কৰিছিল। পাছত গ্ৰেপ্তাৰ হোৱা সুখৰামক পাঁচ বছৰৰ কাৰাদণ্ড বিহা হৈছিল যদিও স্বাস্থ্যজনিত কাৰণত তেওঁ কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিছিল।

## এদিনত পুনৰ দেশত ঊৰ্ধ্বমুখী হ’ল কৰ’নাৰ সংক্ৰমণ-মৃত্যু



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** চলিত মাহত দেশৰ ক’ভিড গ্ৰাফ মাজে-সময়ে ঊৰ্ধ্বমুখী হ’লেও ইণ্ডিয়ান কাউন্সিল ফ’ৰ মেডিকেল ৰিছাৰ্চ (আইচিএমআৰ)ৰ মতে ভাৰতত সম্প্ৰতি ক’ভিডৰ চতুৰ্থ ঢৌৰ সম্ভাৱনা নাই। যোৱা ২৪ ঘণ্টাত পুনৰ দেশত বৃদ্ধি পালে ক’ভিডৰ সংক্ৰমণ আৰু মৃত্যু। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২,৮৯৭ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। কেৰল দিল্লীতে এদিনত ক’ভিড আক্ৰান্ত হ’ল ১১১৮ জন লোক। ইফালে, মহাৰাষ্ট্ৰত ২২৩জন লোক বিগত এদিনত কৰ’নাত সংক্ৰমিত হ’ল। বৰ্তমানে দেশত ১৯,৪৯৪ জন সক্ৰিয় ক’ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত দেশত ৫৪ জন ক’ভিড ৰোগীৰ মৃত্যু হ’ল।

**শ্বাহজাহানে জয়পুৰৰ ৰাজপৰিয়ালৰ ৰাজপ্ৰাসাদ আৰু ভূমি বেদখল কৰিহে তাজমহল নিৰ্মাণ কৰাইছিল**

# তাজমহল আমাৰ পাৰিবাৰিক সম্পত্তি ঃ জয়পুৰৰ ৰাজপৰিয়ালৰ দাবী

**নিউজ ব্যুৰ’ জয়পুৰ, ১১ মে’ ঃ** বিশ্বৰ সপ্তম আশ্চৰ্যৰ অন্যতম এক তাজমহল নিজৰ পৰিয়ালৰ সম্পত্তি বুলি দাবী কৰিলে জয়পুৰৰ এটি ৰাজপৰিয়ালে। বিজেপিৰ সাংসদ তথা জয়পুৰৰ ৰাজপৰিয়ালৰ সদস্য দিয়া কুমাৰীয়ে দাবী কৰি কয় যে তাজমহলৰ স্থানত এসময়ত তেওঁলোকৰ পৰিয়ালৰ ৰাজপ্ৰাসাদ আছিল। সাংসদ কুমাৰীয়ে লগতে দাবী কৰি কয় যে তেওঁৰ হাতত তাজমহল বিষয়ক নথিপত্ৰ মজুত আছে। এইসমূহ নথিপত্ৰ অনুসৰি তাজমহলৰ স্থানত জয়পুৰৰ পুৰণি ৰাজপৰিয়ালৰ ৰাজপ্ৰাসাদ আছিল। এই ৰাজপ্ৰাসাদ মোগল বাদশ্বাহে দখল কৰিছিল। যেতিয়া শ্বাহজাহানে জয়পুৰৰ ৰাজপৰিয়ালৰ উক্ত ৰাজপ্ৰাসাদ আৰু ভূমি বেদখল কৰিছিল সেই সময়ত ৰাজপৰিয়ালৰ লোকে ইয়াৰ বিৰোধিতা কৰিব পৰা নাছিল, কিয়নো তেতিয়া দেশত মোগলৰ শাসন আছিল।

বিজেপিৰ সাংসদগৰাকীয়ে কয়, ‘আজিও কোনো চৰকাৰে ভূমি অধিগ্ৰহণ কৰিলে ইয়াৰ বাবদ ক্ষতিপূৰণ দিয়ে। কিন্তু সেই সময়ত এনে কোনো ব্যৱস্থা নাছিল। আইন নথকা হেতুকে আমাৰ পৰিয়ালে আবেদন জনাব



পৰা নাছিল আৰু বিৰোধিতা কৰিব নোৱাৰিলে। এতিয়া কোনোবাই দাবী জনাইছে আৰু তাজমহলৰ বন্ধ কোঠাৰ দুৱাৰ খোলাৰ বাবে আদালতত আবেদন জনাইছে। মই এইটো নকওঁ যে তাজমহল ভাঙি দিয়া উচিত। কিন্তু তাজমহলৰ বন্ধ কোঠাবোৰ খোলা উচিত। তেতিয়াহে ইয়াৰ ভিতৰত কি আছিল সেয়া সকলোৰে জ্ঞাত হ’ব। এবাৰ এই বিষয়ত ভালদৰে অনুসন্ধান কৰা উচিত।’

উল্লেখ্য যে অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ প্ৰসংগতো ৰামৰ বংশধৰক লৈ প্ৰশ্ন উত্থাপন হোৱাৰ সময়তো জয়পুৰৰ ৰাজপৰিয়ালে নিজকে ৰামৰ বংশধৰ বুলি দাবী কৰিছিল। ইয়াৰ বাবে জয়পুৰৰ ৰাজপৰিয়ালটোৱে আদালতত সাক্ষী দিবলৈ সাজু থকা বুলিও ঘোষণা কৰিছিল। এইবাৰ উক্ত ৰাজপৰিয়ালে তাজমহল প্ৰকৃততে তেওঁলোকৰ ভূমিত নিৰ্মাণ কৰা বুলি দাবী জনালে। বিজেপিৰ সাংসদ কুমাৰীয়ে আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয় যে যি ভূমিত বৰ্তমানে তাজমহল আছে, উক্ত স্থানত এসময়ত তেওঁলোকৰ ৰাজপ্ৰাসাদ আছিল। শ্বাহজাহানে উক্ত ৰাজপ্ৰাসাদ আৰু ভূমি বেদখল কৰিহে তাজমহল নিৰ্মাণ কৰাইছিল বুলি দাবী কৰি নতুন বিতৰ্ক সৃষ্টি কৰিলে বিজেপিৰ জয়পুৰৰ সাংসদগৰাকীয়ে।

## অমৰনাথ যাত্ৰাত জেহাদী আক্ৰমণৰ ষড়যন্ত্ৰ ব্যৰ্থ, নিহত লস্কৰৰ দুই সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ১১ মে’ ঃ** অমৰনাথ তীৰ্থযাত্ৰাত জেহাদী আক্ৰমণৰ পৰিকল্পনা ব্যৰ্থ কৰিলে নিৰাপত্তা বাহিনীয়ে। জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীৰ স’তে হোৱা এক সংঘৰ্ষত প্ৰাণ হেৰুৱালে লস্কৰ-ই-তৈবাৰ দুই সন্ত্ৰাসবাদীয়ে। আজি এই কথা প্ৰকাশ কৰি জম্মু-কাশ্মীৰ আৰক্ষীয়ে জনোৱা অনুসৰি কালি দক্ষিণ কাশ্মীৰৰ অনন্তনাগৰ ড’ৰু অঞ্চলত সন্ত্ৰাসবাদীয়ে ঘাটি পতাৰ বাতৰি লাভৰ পাছত নিৰাপত্তা বাহিনীয়ে তালাচী অভিযান চলাইছিল। নিৰাপত্তা বাহিনীক প্ৰত্যক্ষ কৰাৰ পাছতে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে সেনাক গুলিবৰ্ষণ কৰাত সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিয়ে। দীৰ্ঘ সময় ধৰি হোৱা উভয়পক্ষৰ গুলীয়াগুলিত লস্কৰৰ দুই সন্ত্ৰাসবাদী ধৰাশায়ী হ’ল। মৃত দুই সন্ত্ৰাসবাদীক আৰিফ হুছেইন ভাট আৰু ছোহেল আহমেদ ল’ন নামৰে চিনাক্ত কৰা হৈছে। ঘটনাস্থলীৰ পৰা এ কে-৪৭সহ যথেষ্ট পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে।



## উত্তৰ প্ৰদেশৰ পাছত এইবাৰ কৰ্ণাটকত লাউডস্পীকাৰ ব্যৱহাৰত নতুন নিৰ্দেশনা

**নিউজ ব্যুৰ’, বাংগালুৰু, ১১ মে’ ঃ** উত্তৰ প্ৰদেশৰ পাছত এইবাৰ কৰ্ণাটকত লাউডস্পীকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিলে চৰকাৰে। কৰ্ণাটক চৰকাৰে প্ৰকাশ কৰা অনুসৰি, এতিয়াৰে পৰা ৰাজ্যখনত নিশা ১০ বজাৰ পৰা পুৱা ছয় বজালৈকে লাউডস্পীকাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। কৰ্ণাটক চৰকাৰে লগতে ঘোষণা কৰি কয় যে চৰকাৰী অনুমোদন অবিহনে লাউডস্পীকাৰ ব্যৱহাৰ কৰিব তথা ৰাজহুৱা ভাষণ দিব নোৱাৰিব। বন্ধঘৰ অৰ্থাৎ বিবাহ ভৱন, অডিটৰিয়াম, কনফাৰেন্স ৰূম আৰু কমিউনিটি গৃহৰ বাহিৰে আন স্থানত নিশা ১০ বজাৰ পৰা পুৱা ছবজালৈকে লাউডস্পীকাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। জনবহুল অঞ্চলত লাউডস্পীকাৰৰ শব্দৰ সীমাও নিৰ্ধাৰণ কৰি দিয়া হৈছে।



## বুষ্টাৰ প্ৰতিষেধক লৈও ক’ভিড আক্ৰান্ত হ’ল বিল গেটছ্

**নিউজ ব্যুৰ’ নিউ য়ৰ্ক, ১১ মে’ ঃ** কৰ’না সংক্ৰমিত হ’ল বিশ্বৰ অন্যতম এগৰাকী ধনাঢ্য ব্যক্তি বিল গেটছ্। মাইক্ৰ’ছফ্টৰ সহ প্ৰতিষ্ঠাপক গেটছ্ৰ শৰীৰত ক’ভিডৰ লঘু উপসৰ্গই দেখা দিছে। ক’ভিড পৰীক্ষণ কৰাত তেওঁৰ শৰীৰত এই ভাইৰাছৰ উপস্থিতি নিশ্চিত হয়। উল্লেখ্য যে গেটছে ক’ভিডৰ বুষ্টাৰ প্ৰতিষেধকো গ্ৰহণ কৰিছিল। সম্প্ৰতি তেওঁ নিভৃতবাসত আছে।

## মস্তিষ্কৰ জটিল ৰোগত আক্ৰান্ত জিনপিং? চীনৰ ৰাষ্ট্ৰপতিৰ স্বাস্থ্যক লৈ প্ৰশ্ন

**নিউজ ব্যুৰ’ বেইজিং, ১১ মে’ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ পাছত এইবাৰ চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ স্বাস্থ্যৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হ’ল। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, জিনপিং সম্প্ৰতি মস্তিষ্কৰ এক জটিল ৰোগত আক্ৰান্ত হৈছে। মস্তিষ্কৰ ৰক্তকোষৰ ৰোগত আক্ৰান্ত হ’লেও অস্ত্ৰোপচাৰ কৰাবলৈ বিচৰা নাই চীনৰ ৰাষ্ট্ৰপতিয়ে। ইয়াৰ পৰিৱৰ্তে জিনপিঙে চীনা পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ



সহায় গ্ৰহণ কৰিছে। যোৱা বছৰৰ অন্তিমভাগত জিনপিঙক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল বুলিও সংবাদ মাধ্যমৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে। অৱশ্যে চৰকাৰীভাৱে এই বিষয়ত কোনো তথ্য প্ৰকাশ কৰা হোৱা নাই। উল্লেখ্য যে চীনৰ ৰাষ্ট্ৰনেতাজনৰ শাৰীৰিক অৱস্থাক লৈ দীৰ্ঘদিন ধৰি জল্পনা অব্যাহত আছে। বিশেষকৈ কৰ’না ভাইৰাছৰ সংক্ৰমণৰ পাছত চীনত শীতকালীন অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে বিদেশী ৰাষ্ট্ৰনেতাক সাক্ষাৎ কৰাৰ পৰা বিৰত আছিল জিনপিং। সেই সময়তো জিনপিং অসুস্থ হোৱা বুলি বাতৰি প্ৰচাৰিত হৈছিল।

## এইবাৰ ট’মেট’ ফিভাৰৰ আতংক, দেশত ৮০ শিশু আক্ৰান্ত এই ভাইৰাছত

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** এবিধ নতুন ফ্লুজনিত ৰোগে মানুহৰ মাজত দুশ্চিন্তা বৃদ্ধি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি কেৰালাত সম্প্ৰতি ৮০টাৰো অধিক শিশু এই ভাইৰাছত আক্ৰান্ত হৈছে। আক্ৰান্ত এইসকল শিশুৰ বয়স পাঁচ বছৰৰ অনূৰ্ধ্ব। কেৰালাৰ এখন জিলাত ট’মেট’ ফ্লু বিয়পি পৰাৰ পাছত চুবুৰীয়া তামিলনাডুতো চিকিৎসকে আক্ৰান্ত ৰোগীৰ সন্ধানত পৰীক্ষণ আৰম্ভ কৰিছে। ট’মেট’ ফ্লু ভাইৰেল জ্বৰ নে চিকুনগুণীয়া অথবা ডেংগীৰ পৰৱৰ্তী প্ৰভাৱ সেই সন্দৰ্ভত এতিয়াও নিশ্চিত তথ্য লাভ কৰা নাই। ট’মেট’ ফিভাৰত আক্ৰান্ত শিশুৰ ক্ষেত্ৰত ছালত খজুৱতি, পানীজোলা, ছাল ৰঙা পৰা আৰু পনীয়া শৌচৰ সমস্যাই দেখা দিয়ে। তদুপৰি আক্ৰান্তৰ শৰীৰত চৰ্দি, কাহ, দেহৰ বিষ, বমিৰ ভাব ইত্যাদি লক্ষণেও দেখা দিব



পাৰে। কি কাৰণত কেৰালাত শিশুৰ মাজত এইধৰণৰ জ্বৰ হৈছে সেয়া এতিয়াও চিকিৎসকে নিশ্চিত কৰিব পৰা নাই। শিশুৰ শৰীৰত ট’মেট’ ফিভাৰৰ উপসৰ্গই দেখা দিলে পলম নকৰি চিকিৎসকৰ পৰামৰ্শ ল’বলৈ বিশেষজ্ঞই দিহা দিছে।



## সন্ত্ৰাসৰ অভিযোগত দোষী সাব্যস্ত কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা মালিক

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা মহম্মদ য়াচিন মালিকক কালি দিল্লীৰ এখন আদালতে ইউএপিএ ধাৰাত ২০১৭ বৰ্ষৰ সন্ত্ৰাসবাদৰ এক ঘটনাত দোষী সাব্যস্ত কৰিলে। তাৎপৰ্যপূৰ্ণ যে মালিকে কোনো অধিবক্তা নিয়োগ কৰা নাছিল আৰু নিজৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিৰোধিতা নকৰিলে। মালিকৰ বিৰুদ্ধে ইউএপিএ আইনৰ ১৬, ১৭, ১৮ আৰু ২০ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। তদুপৰি ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি) আৰু ১২৪ (এ) ধাৰাতো অপৰাধমূলক ষড়যন্ত্ৰ আৰু দেশদ্ৰোহৰ গোচৰ ৰুজু হৈছিল। অহা ১৯ মে’ত ন্যায়াধীশ প্ৰবীণ সিঙে মালিকৰ শাস্তিৰ ৰায় দিব। এই গোচৰত মালিকক সৰ্বোচ্চ যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়া হ’ব পাৰে।

## পুটিন সঁচাকৈয়ে গুৰুতৰ অসুস্থ নেকি? কম্বলসহ ৰুছ ৰাষ্ট্ৰপতিৰ ফটোক লৈ চাঞ্চল্য

**নিউজ ব্যুৰ’, ম’স্কো, ১১ মে’ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন কৰ্কট ৰোগত আক্ৰান্ত হোৱা বুলি শেহতীয়াভাৱে এক বাতৰি আন্তৰ্জাতিক সংবাদ মাধ্যমত চৰ্চিত হৈছে। ৰুছ ৰাষ্ট্ৰপতিৰ স্বাস্থ্যক লৈ জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে পুটিনৰ এখন ফটোৱে বিশ্বজুৰি বিশেষ চৰ্চা লাভ কৰিছে। যোৱা ন মে’ত ম’স্কোত ৰাছিয়াৰ বিজয় দিৱস উপলক্ষে বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। সেই অনুষ্ঠানত দ্বিতীয় বিশ্বযুদ্ধত ৰাছিয়াৰ হৈ অংশ লোৱা যোদ্ধাসকলৰ স’তে একে শাৰীতে আসনত উপবিষ্ট হৈছিল ৰুছ ৰাষ্ট্ৰপতি পুটিন। সেইদিনা ৰাছিয়াৰ তাপমাত্ৰা আছিল ন ডিগ্ৰী চেলছিয়াছৰ আশে পাশে। পুটিনে এটা



প্ৰকাণ্ড জেকেট পৰিধান কৰিছিল। তদুপৰি তেওঁ ভৰিৰ ওপৰত এখন কম্বল লৈ বহিছিল। পুটিনে কে’বাবাৰো কাহ মাৰিছিল। পুটিনৰ এই ফটো আৰু ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হোৱাত ৰুছ ৰাষ্ট্ৰনেতাৰ স্বাস্থ্যক লৈ পুনৰ প্ৰশ্ন উত্থাপিত হৈছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশ পোৱা এক বাতৰি অনুসৰি অচিৰে পুটিনৰ এক অস্ত্ৰোপচাৰ সম্পন্ন কৰা হ’ব। অৱশ্যে কি ৰোগৰ বাবে ৰুছ ৰাষ্ট্ৰপতিৰ অস্ত্ৰোপচাৰ কৰা হ’ব সেয়া এতিয়াও জানিব পৰা হোৱা নাই। ৬৯ বছৰীয়া পুটিন এজন শাৰীৰিকভাৱে অতি সক্ৰিয় ৰাষ্ট্ৰনেতা হিচাপে পৰিচিত। প্ৰচণ্ড শীততো পুটিনে খালী গাৰে শৰীৰ চৰ্চা কৰাৰ একাধিক ভিডিঅ’ পূৰ্বে ৰাজহুৱা হৈছিল। সেইজন পুটিনে এতিয়া প্ৰকাণ্ড জেকেট আৰু কম্বল লৈ ৰাজহুৱা অনুষ্ঠানত অংশ লোৱা ভিডিঅ’ প্ৰত্যক্ষ কৰি বহু লোকে ৰুছ ৰাষ্ট্ৰনেতাজন অসুস্থ হোৱা বুলি শংকা প্ৰকাশ কৰিছে।

## পুনৰ ট্ৰাম্পক টুইটাৰ ব্যৱহাৰৰ সুবিধা দিব মাস্কে



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১১ মে’ ঃ** টুইটাৰৰ মালিকনা স্বত্ব অচিৰে এলন মাস্কে লাভ কৰিব আৰু মাইক্ৰ’ ব্ল’গিং ছাইটটোৰ গৰাকী হোৱাৰ পাছত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পক পুনৰ টুইটাৰলৈ ওভতাই অনা হ’ব পাৰে। সম্প্ৰতি এক সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰিলে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে। উক্ত সাক্ষাৎকাৰত মাস্কে টুইটাৰৰ সম্পূৰ্ণ স্বত্ব লাভৰ পাছত ট্ৰাম্পক ওভতাই অনাৰ কথা প্ৰকাশ কৰাৰ লগতে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিজনক টুইটাৰত নিষিদ্ধকৰণৰ সিদ্ধান্তক নীতিগতভাৱে এক বেয়া আৰু ভুল সিদ্ধান্ত বুলিও অভিহিত কৰে। মাস্কে কয় যে এই সিদ্ধান্তৰ ফলত দেশৰ মানুহক নিজৰ মতামত প্ৰকাশৰ পৰা বিচ্ছিন্ন কৰা হৈছিল। উল্লেখ্য যে ২০২১ৰ জানুৱাৰীত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ট্ৰাম্প পৰাজিত হৈছিল আৰু ইয়াৰ পাছতে তেওঁৰ একাংশ সমৰ্থকে কেপিটল হিলত হিংসাত্মক ঘটনা সংঘটিত কৰিছিল। টুইটাৰৰ জৰিয়তে ট্ৰাম্পে সমৰ্থকক উচটনি দিয়াৰ অভিযোগ উত্থাপিত হোৱাৰ পাছতে মাইক্ৰ’ ব্ল’গিং ছাইটটোৱে ট্ৰাম্পক তৎকালীনভাৱে টুইটাৰত নিষিদ্ধ কৰিছিল।

## পুটিন ঘনিষ্ঠ অৰ্বুদপতিৰ ধাৰাবাহিক মৃত্যুক লৈ চাঞ্চল্য



**নিউজ ব্যুৰ’, ম’স্কো, ১১ মে’ ঃ** ইউক্ৰেইনত যুদ্ধ অব্যাহত ৰখাৰ সময়তে একাধিক সংকটৰ সন্মুখীন হৈছে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন। ৰুছ ৰাষ্ট্ৰপতিৰ সবাতোকৈ ঘনিষ্ঠ কে’বাজনো অৰ্বুদপতি ব্যৱসায়ীৰ শেহতীয়া ৰহস্যজনক মৃত্যুৰ ঘটনাই ৰাছিয়াত চাঞ্চল্যৰ সৃষ্টি কৰিছে। দৰাচলতে ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ পাছৰে পৰা আমেৰিকা আৰু ইউৰোপে ৰাছিয়াৰ ‘আলিগাৰ্ক’ক লক্ষ্য হিচাপে লৈছে। আলিগাৰ্ক হৈছে ৰাষ্ট্ৰপতি পুটিনৰ অতি ঘনিষ্ঠ উদ্যোগপতি। আলিগাৰ্কৰ আমেৰিকা-ইউৰোপত থকা সম্পত্তি জব্দ কৰা হৈছে। একে সময়তে পুটিন ঘনিষ্ঠ কে’বাজনো ৰুছ অৰ্বুদপতিৰ মৃত্যুৰ ঘটনাই বিশেষ চৰ্চা লাভ কৰিছে। ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ বিগত ৭৬ দিনত ৰাছিয়াত সাতজনকৈ বৃহৎ উদ্যোগপতিৰ মৃত্যু হ’ল। এইসকল ব্যৱসায়ীৰ সৰহসংখ্যকে ৰাছিয়াৰ গেছ আৰু তেলৰ ব্যৱসায়ৰ স’তে জড়িত আছিল। ৰাছিয়াৰ অৰ্থনীতিৰ মেৰুদণ্ড হিচাপেও এইসকল অৰ্বুদপতি পৰিচিত। এজন অৰ্বুদপতিয়ে নিজৰ পৰিয়ালৰ সকলো সদস্যক হত্যা কৰি চিপ লৈ আত্মহনন কৰে। আন এজনে আকৌ গুলীয়াই আত্মহত্যা কৰিলে। ছুৰীৰে আঘাত হানিও এজন উদ্যোগপতিয়ে আত্মহনন কৰিছে। শেহতীয়াভাৱে ৪৩ বছৰীয়া এজন ৰুছ উদ্যোগপতিয়ে বেঙৰ বিষপানৰে আত্মহত্যা কৰে। কিছুদিন পূৰ্বে ৰুছ অৰ্বুদপতি আলেকজেণ্ডাৰ ছুব্ব’টিনৰ মৃতদেহ বাসগৃহত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি অত্যধিক নিচাসেৱনৰ পৰিণতিত তেওঁৰ মৃত্যু হৈছিল। এইদৰে ৰহস্যজনক পৰিস্থিতিত মৃত্যু হোৱা সাতজন অৰ্বুদপতিৰ স’তে পুটিনৰ যথেষ্ট ঘনিষ্ঠতা আছে। পুটিন ঘনিষ্ঠ উদ্যোগপতিৰ হঠাতে এইদৰে মৃত্যু হোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে। ইউক্ৰেইন যুদ্ধৰ মাজতে ৰাছিয়াত এইদৰে হঠাতে অৰ্বুদপতিৰ মৃত্যু হোৱা ঘটনাত স্বয়ং ৰাষ্ট্ৰপতি পুটিনো উদ্বিগ্ন হৈছে।

## চাৰধাম যাত্ৰীক সকাহ, দৈনিক দৰ্শনাৰ্থীৰ সংখ্যা কৰিলে বৃদ্ধি



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১১ মে’ ঃ** চাৰধাম তীৰ্থযাত্ৰাৰ বাবে ভক্তই কৰা ভিৰৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰাখণ্ড চৰকাৰে তীৰ্থযাত্ৰীসকলক সকাহ দিবলৈ দৈনিক দৰ্শনাৰ্থীৰ সংখ্যা বৃদ্ধি কৰিলে। প্ৰথম ৪৫ দিনৰ তীৰ্থযাত্ৰাৰ বাবে দৈনিক দৰ্শনাৰ্থীৰ সংখ্যা বৃদ্ধি কৰা হ’ল। চৰকাৰে এহেজাৰ আন তীৰ্থযাত্ৰীক চাৰধাম যাত্ৰাৰ বাবে অনুমতি দিলে। অৰ্থাৎ যোৱা তিনি মে’ৰ পৰা আৰম্ভ হোৱা চাৰধাম যাত্ৰাৰ সময়ত আন এহেজাৰ তীৰ্থযাত্ৰীয়ে কেদাৰনাথ, বদ্ৰিনাথ, গংগোত্ৰী আৰু যমুনত্ৰী দৰ্শন কৰিব পাৰিব। চৰকাৰৰ সিদ্ধান্তৰ ফলত এতিয়া বদ্ৰিনাথ ১৬,০০০, কেদাৰনাথ ১৩,০০০, গংগোত্ৰী ৮,০০০ আৰু যমুনত্ৰী ৫,০০০ তীৰ্থযাত্ৰীয়ে দৰ্শন কৰিব পাৰিব। পূৰ্বে চৰকাৰে বদ্ৰিনাথৰ বাবে ১৫,০০০, কেদাৰনাথৰ বাবে ১২,০০০ হেজাৰ, গংগোত্ৰীৰ বাবে ৭,০০০ আৰু যমুনত্ৰীৰ বাবে ৪,০০০ তীৰ্থযাত্ৰী নিৰ্ধাৰণ কৰিছিল।